
# অন্বেষণ

দশম বছৰ ▪ ষষ্ঠ সংখ্যা ▪ জুলাই, ২০২৩



## উঃ বৰ গৰম

## লিথিয়াম আৰু ভাৰতবৰ্ষ



## আমুলৰ কাহিনী

## ভাৰতৰ নতুন সংসদ ভৱন



আঁহত গছ



তেজ পাত



এডিচ'ন



The Zombie Bug

# অন্বেষণ

**দশম বছৰ, ষষ্ঠ সংখ্যা, জুলাই, ২০২৩ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **উঃ বৰ গৰম !**
■ অভিজিত শৰ্মা বৰুৱা

৫ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

৯ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

১০ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

১৫ **ভাৰতৰ নতুন সংসদ ভৱন**
■ প্ৰণীতা দেৱী

১৭ **চুড'কু**

১৮ **বিএছচি নাৰ্ছিং**
■ জোনালী দেৱী

১৯ **মানসিক সামৰ্থ্য বিকাশ**
■ ঘনশ্যাম মেধি

২১ **মটৰ গাড়ীৰ ইতিহাস**
■ দীপক কোচ

২২ **আমুলৰ কাহিনী**
■ হিমাদ্ৰী বৰা

২৩ **ৰুদিয়াৰ্ড কিপলিং**
■ অলকা গোস্বামী

২৫ **কুইজ**
■ দীপাংকৰ কৌশিক

২৬ **ভাৰতীয় এনিমেছনৰ ক্ৰমবিকাশ**
■ জহেব জামান

২৮ **The untold story of Subhas Chandra Bose**
■ Jyotirmoy Das

৩০ **আমাৰ ভণ্টি**
■ গৰিমা বৰ্মন

৩০ **সপোন**
■ অৰ্ণৱ জ্যোতি নাথ

৩০ **চৰাই**
■ ৰাজদীপ গোস্বামী

৩০ **কুকুহা**
■ ধৃ-বৰ্ণা বৰগোহাঞি

৩১ **ৰশ্মি নাৰ্জাৰী**
■ নিষ্ঠা বৰগোহাঁই

৩২ **সময়ৰ সদ্ব্যৱহাৰ**
■ গাৰ্গী তালুকদাৰ

৩৩ **Did You Know**
■ Binoy Bikash Gogoi

৩৪ **Stories from World Classics**
■ Bhaktimala Saikia

৩৫ **স্মৰণীয় সময়, স্মৰণীয় ঘটনা**
■ অপৰ্ণা দেৱী

৩৬ **নিৰ্জলায়ন**
■ কল্যাণী পাটগিৰি

৩৭ **শামুকৰ লেহেমীয়া গতি**
■ বনানী ডেকা

৩৮ **মহাকাশত মহিলা**
■ জিতা গগৈ

৩৯ **পৃথিৱীৰ প্ৰথম বুৰঞ্জীবিদ— হেৰ'ডটাছ**
■ জিতেন গোস্বামী


৪০ **লিথিয়াম আৰু ভাৰতবৰ্ষ**
■ নিবেদিতা তালুকদাৰ

**সম্পাদক** : ডাঃ নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ডঃ লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)
**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ছবি** : কন্দৰ্প শৰ্মা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : পঁচিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# উঃ বৰ গৰম !

■ অভিজিত শৰ্মা বৰুৱা




পৃথিৱীত জীৱ সৃষ্টি আৰু প্ৰতিপালনৰ বাবে সূৰ্য্যই আটাইতকৈ বেছি বৰঙণি আগ বঢ়াইছে, পাছে অত্যধিক গৰমৰ বাবে মানুহে—অন্ততঃ কিছু মানুহে— সূৰ্য্যলৈকে দোষৰ আঙুলি টোৱায়। সূৰ্য্যৰ অত্যধিক তাপেহে হেনো অত্যধিক গৰম সৃষ্টি কৰিছে।

সূৰ্য্য আমাৰ পৰা প্ৰায় ১৫ কোটি কিল'মিটাৰ দূৰত আছে আৰু তাৰে পৰাই আমালৈ পোহৰ আৰু তাপ শক্তি প্ৰেৰণ কৰি আছে। আমাৰ পৃথিবীৰ পৰিপ্ৰেক্ষিতত সূৰ্য্য ইমান নিখুঁত অৱস্থানত আছে যে সেই অৱস্থানৰ বাবেই পৃথিবীত সকলো জীৱৰে বাবে অত্যাৱশ্যকীয় পানী জুলীয়া অৱস্থাত থাকিব পাৰিছে। সূৰ্য্য যদি ইয়াতকৈ কাষ চাপি আহিলেহেঁতেন, তেন্তে পৃথিৱীৰ জলভাগ ভাপ হৈ উৰি গ'লহেঁতেন আৰু যদি অলপ আঁতৰি গ'লহেঁতেন, তেন্তে পৃথিৱীৰ পানীভাগ গোট মাৰি থাকিলহেঁতেন। পোনপটীয়া ভাষাত ক'বলৈ গ'লে তেতিয়া পৃথিবীত জীৱই নাথাকিলেহেঁতেন। সূৰ্য্যই সেই তেতিয়াৰে পৰা পৃথিৱীলৈ প্ৰায় একে হাৰতে তাপ-পোহৰ পঠিয়াই আছে। আমাৰ দেশলৈকো সূৰ্য্যই এক নিৰ্দিষ্ট কৌণিক অৱস্থানত তেনে শক্তি পঠিয়াই আছে। বিজ্ঞানীসকলৰ মতে সেই শক্তি অতি সামান্য হাৰত হয়তো কমিছেহে, বঢ়াৰ কোনো কথাই নাই। তেন্তে সূৰ্য্যই বেছি গৰম সৃষ্টি কৰিছে বুলি কোৱাটো মিথ্যাচাৰৰ বাহিৰে একো নহয়।

## অপাৰ শক্তিৰ ভঁৰাল—সূৰ্য্য

সূৰ্য্যই আমালৈ যিমান শক্তি পঠিয়াই আছে তাৰ যদি এক ক্ষুদ্ৰ অংশও আমি আমাৰ ব্যৱহাৰযোগ্য শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰো, তেন্তে আমাৰ সমগ্ৰ বিশ্বৰ শক্তি সংকটৰ সমাধান হৈ যাব। সৌৰ শক্তিৰ ক্ষেত্ৰত প্ৰথম সুবিধা হ'ল—সৌৰ শক্তিৰ বাবে কোনো খৰচ নহয়। পৃথিৱীলৈ তাপ আৰু পোহৰ শক্তি পঠিওৱাৰ বাবদ সূৰ্য্যই কোনো 'বিল' নপঠিয়ায়। দ্বিতীয় লাভজনক দিশটো হ'ল — সৌৰ শক্তি অফুৰন্ত। আমি যদি বিশেষ কৌশলৰ সহায়ত আমাৰ বাবে প্ৰয়োজনীয় শক্তি সৌৰ শক্তিৰ পৰাই আহৰণ কৰোঁ, তেন্তে ভৱিষ্যতে আন বিকল্প উৎসৰ কথা চিন্তা নকৰিলেও হ'ব। আমাৰ পৃথিৱীত উপলব্ধ সৌৰ শক্তিৰ মুঠ ক্ষমতা হ'ল—৮৯ PW (PW = ১ পেটা ৱাট = ১০$^{১৫}$ ৱাট)। সেই বৃহৎ পৰিমাণৰ শক্তি তথা ক্ষমতাৰ যদি ০.০২ শতাংশও আমি ধৰি ৰাখিব পাৰোঁ, তেন্তে এই সৌৰ শক্তিয়ে সমগ্ৰ পৃথিৱীৰে শক্তিৰ চাহিদা পূৰাব পাৰিব। সৌৰ শক্তিৰ তৃতীয়টো লাভজনক কথা হ'ল—ই প্ৰদূষণমুক্ত। অৰ্থাৎ সৌৰ শক্তি আহৰণ কৰা প্ৰক্ৰিয়াত কোনো প্ৰদূষণৰ সৃষ্টি নহয়।

আমাৰ দেশত যে গ্ৰীষ্মকালি বেছ গৰম পৰে, তাৰো সমাধানৰ বাবে সূৰ্য্যয়েই আটাইতকৈ বেছি বৰঙণি আগ বঢ়াইছে। আমাৰ বাবে অতি আৱশ্যকীয় জলচক্ৰ সৃষ্টিৰ মূল হোতা হ'ল—সূৰ্য্য। সূৰ্য্যৰ তাপত পানী ভাপ হয়, সেই ভাপ বৰষুণৰ ৰূপত আকৌ পৃথিৱীলৈকে ঘূৰি আহে আৰু গৰমক আমাৰ বাবে সহ্যকৰ কৰি তোলে।

## সেউজগৃহ পৰিঘটনা আৰু গোলকীয় উষ্মীভৱন (global warming)

পৃথিৱী সামগ্ৰিকভাৱে অধিক গৰম হৈ উঠা বা গোলকীয় উষ্মীভৱনৰ লগত সম্পৰ্ক থকা এটা বিষয়

হৈছে—সেউজগৃহ পৰিঘটনা (greenhouse effect)। পৃথিবীৰ বায়ুমণ্ডলত প্ৰচুৰ পৰিমাণে অক্সিজেন, নাইট্ৰ'জেন আৰু হাইড্ৰজেন গেছ আছে। তাৰ উপৰি বায়ুমণ্ডলত কাৰ্বন ডাইঅক্সাইড, কাৰ্বন মন'ক্সাইড, মিথেন, চি এফ চি (ক্লৰ' ফ্লৰ' কাৰ্বন) আদি কিছুমান গেছো আছে। পাছত উল্লেখিত গেছবোৰৰ বৈশিষ্ট্য হ'ল যে এইবোৰে ভূপৃষ্ঠৰ পৰা বিকিৰিত তাপৰ সকলোখিনিকে পৃথিৱীৰ পৰা ওলাই মহাকাশলৈ গুচি যাবলৈ নিদিয়ে আৰু কিছু তাপক পুনৰ পৃথিৱীলৈ ঘূৰাই পঠিয়ায়। তাৰ ফলত পৃথিৱীৰ ভূপৃষ্ঠ গৰম হৈ উঠে। এই পৰিঘটনাই হ'ল 'সেউজগৃহ পৰিঘটনা' আৰু যি গেছবোৰে এই পৰিঘটনা সংঘটিত কৰে, সেই গেছবোৰ হ'ল 'সেউজগৃহ গেছ'। এই সেউজগৃহ পৰিঘটনা কিন্তু আমাৰ বাবে মুঠেই অনাৱশ্যকীয় নহয়, বৰং অতি আৱশ্যকীয়হে। এই 'সেউজগৃহ গেছ'বোৰ নথকাহেঁতেন পৃথিবীৰ অৱস্থাও মংগল গ্ৰহৰ দৰে অতিশয় চেঁচা হ'লহেঁতেন আৰু সাধাৰণভাৱে পৃথিৱীখন মানুহৰ বসবাসৰ উপযুক্ত নহ'লহেঁতেন বা জীৱ সৃষ্টিয়েই হয়তো নহ'লহেঁতেন।

বৰ্তমান পৃথিৱীৰ বায়ুমণ্ডলত মানৱসৃষ্ট কাৰণত এই সেউজগৃহ গেছৰ পৰিমাণ বহুত বৃদ্ধি পাইছে, আৰু এই বৰ্ধিত গেছে বেছি পৰিমাণৰ তাপ পৃথিৱীলৈ ঘূৰাই পঠিয়াইছে। ফলত সৃষ্টি হৈছে গোলকীয় উষ্ণীভৱনৰ। ইয়াৰ মূল কাৰণ হ'ল বায়ু প্ৰদূষণ। বায়ু প্ৰদূষণৰ মূল কাৰক কেইটা হ'ল— শিল্প-উদ্যোগ, শক্তিকেন্দ্ৰ আদিৰ পৰা ওলোৱা বৰ্জিত গেছীয় পদাৰ্থ, অজস্ৰ যান-বাহনৰ পৰা নিৰ্গত ধোঁৱা, শীতলীকৰণ প্ৰক্ৰিয়াত ব্যৱহৃত গেছ আদি। প্ৰতি বছৰে মানুহ যথেষ্ট পৰিমাণৰ কাৰ্বন ডাই-অক্সাইড কৃত্ৰিমভাৱে সৃষ্টি কৰি বিশ্বৰ বায়ুমণ্ডলত এৰি দিয়ে। বিশ্বৰ মুঠ নিৰ্গত সেউজগৃহ গেছৰ ৫ শতাংশ নিৰ্গমণেৰে ভাৰত এই ক্ষেত্ৰত পঞ্চম স্থানত আছে।

গোলকীয় উষ্ণীভৱনৰ নানা কুপ্ৰভাৱ বিশ্বত ইতিমধ্যে আৰম্ভ হৈছেই। কিছুমান প্ৰাণী বিলুপ্ত হৈ গৈছে আৰু আন কিছুমান প্ৰজাতিৰ সংখ্যা যথেষ্ট কমি আহিছে। বিজ্ঞানীসকলৰ পৰা জানিব পৰা মতে পৃথিৱীৰ গড় উষ্ণতা যদি এতিয়াতকৈ ৪.৫ ডিগ্ৰী ফাৰেনহাইট বৃদ্ধি পায়, তেন্তে পৃথিবীৰ ৩০ শতাংশ প্ৰাণী ধ্বংস হৈ যাব আৰু যদিহে এই গড় বৃদ্ধি ৬.৩ ডিগ্ৰী হয়, তেন্তে ৭০ শতাংশ প্ৰাণী বিলুপ্ত হ'ব। বিশ্বত ইতিমধ্যে যি পাঁচটা গণবিলুপ্তি সংঘটিত হৈছিল, তাৰ চাৰিটাই উষ্ণতা বৃদ্ধিৰ বাবে হৈছিল। ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদন মতে গোলকীয় উষ্ণীভৱনৰ ফলত হিমালয়ৰ উচ্চ অংশত থকা বৰফৰ ভাণ্ডাৰ ক্ৰমান্বয়ে গলিবলৈ আৰম্ভ কৰিছে। আন এক খবৰ অনুসৰি ছাইবেৰিয়াৰ চিৰতুষাৰ অঞ্চলতো বৰফৰ গলন আৰম্ভ হৈছে। যদিহে তাত বৰফ বেছিকৈ গলিবলৈ আৰম্ভ কৰে, তেন্তে তাত প্লাইষ্ট'চিন যুগৰে পৰা সঞ্চিত হৈ থকা তুষাৰীভূত মিথেন গেছবোৰ নিৰ্গত হৈ যাব। ইয়াৰ ফলত বায়ুমণ্ডলত সেউজগৃহ গেছৰ পৰিমাণ অধিক বাঢ়ি যাব আৰু নতুন বিপদৰ সূচনা হ'ব। মেৰু সাগৰৰ বৰফ প্ৰায় ৬ শতাংশ কমিছে, অৰ্থাৎ সেই বৰফ পানীলৈ পৰিবৰ্তিত হৈছে। এনেকৈ যদি পৃথিৱীৰ সঞ্চিত সকলো বৰফ গলি যায়, তেন্তে শেষত গৈ সমুদ্ৰপৃষ্ঠৰ উচ্চতা কেবা মিটাৰ বাঢ়িব আৰু বহুতো ঠাই পানীৰ গৰ্ভত নিঃশেষ হৈ যাব। নিঃশেষ হোৱাৰ তালিকাৰ প্ৰথমৰ ফালেই আছে মালদ্বীপ আৰু বাহামাছ।

গোলকীয় উষ্ণীভৱনসৃষ্ট জলবায়ুৰ পৰিবৰ্তনৰ বাবে বহু ঠাইতে বৰষুণ অস্বাভাৱিকভাৱে কমিছে, ফলত গৰম তীব্ৰতৰ হৈ উঠিছে। লগতে মৰুভূমিবোৰ সম্প্ৰসাৰিত হৈছে, আলজেৰিয়া, ইথিওপিয়া, ছোমালিয়া আদি দেশ তীব্ৰ খৰাঙৰ গৰাহত পৰিছে, খাদ্য-বস্তুৰ উৎপাদন কমি বিশ্বত দুৰ্ভিক্ষৰ সম্ভাৱনা বৃদ্ধি পাইছে।

## গৰম অসহ্যকৰ কৰি তুলিছে মানুহেই

বায়ু প্ৰদূষণ, গোলকীয় উষ্ণীভৱন আদিৰ সূচনা ঘটাই মানুহে বেছি গৰম তো সৃষ্টি কৰিছেই আৰু লগতে সেই গৰমক অধিক অসহ্যকৰো কৰিও তুলিছে। মানুহেই মানুহৰ কৰ্ম-কাণ্ডৰ ফলত বৰষুণৰ পৰিমাণ অস্বাভাৱিকভাৱে কমি গ্ৰীষ্মৰ মাত্ৰা যথেষ্ট বৃদ্ধি পোৱাৰ কথা ইতিমধ্যে কৈ অহা হ'লেই। তদুপৰি এতিয়া দেখা গৈছে যে নগৰ-মহানগৰত মানুহে ঘৰ সাজিলে তাৰ

চৌপাশে পৰ্য্যাপ্ত ঠাই নাৰাখে। প্ৰায়বোৰ ঘৰ নিৰ্মাণতে ব্যৱহৃত কংক্ৰিটে যথেষ্ট তাপ শুহি ৰাখি পাছত বিকিৰণ কৰি গৰম বঢ়াই তোলে। কাঠ-বাঁহ-খেৰৰ আছাম টাইপ ঘৰ তুলনামূলকভাবে ঠাণ্ডা যদিও নিজৰ প্ৰয়োজনৰ লগত নিমিলে বাবে বা সেয়া কৰিবলৈ ঠাইৰ অভাৱৰ বাবে মানুহে আজিকালি তেনে ঘৰ নাসাজে। ঘৰ সাজোতে উপযুক্ত 'এয়াৰ চাৰ্কুলেছন'ৰ কথাও বহুতে চিন্তা নকৰে।

ঘৰ ঠাণ্ডা কৰিবলৈ এতিয়া এয়াৰ কণ্ডিছনাৰ, এয়াৰ কুলাৰ আদি ব্যৱহাৰ কৰা হয় যদিও ই বাহিৰৰ বাতাৱৰণ গৰম কৰিহে তোলে। তদুপৰি ইয়াৰ বাবে প্ৰয়োজনীয় শক্তি উৎপাদন কৰোতে পুনৰ সেউজগৃহ গেছেই উৎপন্ন হয় আৰু অধিক তাপ সৃষ্টি হয়। গতিকে গৰমক অধিক অসহ্যকৰ কৰি তুলিছে মানুহেই।

## গৰমৰ দিনৰ আন এক বিপদ—ছানবাৰ্ণ

গৰমৰ দিনত, কিছুমানৰ বাবে অন্ততঃ, ডাঙৰ সমস্যা হ'ল—সূৰ্য্যদহন বা 'ছানবাৰ্ণ'। ই হ'ল—সূৰ্য্যৰ ৰশ্মিত থকা অতিবেঙুনীয়া ৰশ্মিৰ পৰিৱেশত বেছি সময় থকা বাবে সাধাৰণতে ছালত সৃষ্টি হোৱা দহন বা পোৰাৰ দৰে ক্ষত। মানৱসৃষ্ট কাৰণতে বায়ুমণ্ডলত অজ'ন স্তৰৰ কিছু অংশ ধ্বংস হোৱাৰ বাবে পৃথিৱীত অতিবেঙুনীয়া ৰশ্মিৰ প্ৰৱেশ এতিয়া বৃদ্ধি পাইছে। এনে ৰশ্মিয়ে ছালৰ জীৱিত কোষসমূহৰ অনিষ্ট সাধিলে এই ছানবাৰ্ণৰ সৃষ্টি হয়। দহন বা পুৰি যোৱাৰ দিশৰ পৰা ছানবাৰ্ণ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ পোৰাৰ ভিতৰত পৰে। ছানবাৰ্ণ হ'লে মানুহজনৰ অলপতে ভাগৰ লগে আৰু অনবৰতে এক তন্দ্ৰাভাব আহি থাকে। কেতিয়াবা ছানবাৰ্ণ বিপদজনক হৈ উঠি 'বাছাল-চেল কাৰ্চিনোমা আৰু 'স্কোৱামাছ চেল কাৰ্চিনোমা' নামৰ দুই ধৰণৰ ছালৰ কেন্সাৰ ৰোগৰ সম্ভাৱনা বৃদ্ধি কৰিব পাৰে। তেনেকৈ ছানবাৰ্ণ আনকি জীৱন-নাশৰো কাৰণ হৈ পৰিব পাৰে।

অতি বেঙুনীয়া ৰশ্মিত থকা UV-B ফ'ট'নে আমাৰ দেহকোষৰ ডি এন এবোৰৰ প্ৰত্যক্ষভাৱে হানি কৰিব পাৰে। UV-B ফ'ট'নৰ ক্ৰিয়াৰ ফলত কোষৰ ভিতৰত 'থাইমাইন-থাইমাইন চাইক্ল'বিউটেন ডিমাৰ' নামৰ এক ৰাসায়নিক পদাৰ্থৰ সৃষ্টি হয়, যি প্ৰথমতে



ডিএনএ বোৰক উত্তেজিত কৰে আৰু পাছত সেই ডিএনএবোৰৰ ধ্বংসৰ কাৰণো হৈ পৰে। ছানবাৰ্ণ হ'লে অৱশ্যে আমাৰ দেহে নিজেই তাৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা লৈ আক্ৰান্ত ডিএনএবোৰ মেৰামতি কৰিবলৈ আৰম্ভ কৰে, ডিএনএবোৰৰ অধিক ধ্বংস ৰোধ কৰিব পৰাকৈ মেলানিন বেছিকৈ সৃষ্টি হ'বলৈ ধৰে। ছানবাৰ্ণৰ পৰা মানুহৰ ছালক ৰক্ষা কৰাৰ বাবে 'ছানস্ক্ৰীণ' নামেৰে একপ্ৰকাৰ ৰাসায়নিক প্ৰতিৰোধী ব্যৱহাৰ কৰা হয়। পাছে ছানবাৰ্ণৰ পৰা ছালক ৰক্ষা কৰিলেও ছানস্ক্ৰীণৰ ব্যৱহাৰে অতি বেঙুনীয়া ৰশ্মিৰ ক্ৰিয়াৰ ফলত হ'ব পৰা আন কিছুমান নেতিবাচক প্ৰতিক্ৰিয়াৰ পৰা দেহক ৰক্ষা কৰিব নোৱাৰে।

ছানবাৰ্ণৰ পৰা ৰক্ষা পোৱাৰ মূল উপায় হ'ল অতি বেঙুনীয়া ৰশ্মিৰ বিকিৰণৰ পৰা বাচি থকা। বিশ্ব স্বাস্থ্য সংস্থাই এই ক্ষেত্ৰত দিহা দিয়া কেইটামান ব্যৱস্থা হ'ল—সূৰ্য্যৰ পোহৰত দিনৰ দহ বজাৰ পৰা চাৰি বজালৈ ঘূৰি ফুৰাটো কমোৱা, তেনে সময়ত বাহিৰলৈ আহিবলগীয়া হ'লেও প্ৰতিৰক্ষামূলক পোছাক, টুপী, ছানস্ক্ৰীণ আদি ব্যৱহাৰ কৰা ইত্যাদি। বিলাহী আৰু আন কিছু ফলত থকা বিটা-কেৰনিন আৰু লাইচ'পিন নামৰ দুবিধ ৰাসায়নিক পদাৰ্থয়ো ছানবাৰ্ণৰ সম্ভাৱনা কমাই বুলি ধাৰণা কৰা হৈছে। শীতল স্নান, শীতল প্ৰলেপ আদিয়ে ছানবাৰ্ণৰ লক্ষণসমূহ কমায়। ❖

## শিল্পী অজিত শীল আৰু গোপাল কৃষ্ণ গোস্বামীলৈ বিষ্ণু ৰাভা বঁটা


গোপাল কৃষ্ণ গোস্বামী


অজিত শীল

বিশিষ্ট শিল্পী অজিত শীল আৰু গোপাল কৃষ্ণ গোস্বামীক অসম চৰকাৰৰ ২০২৩ বৰ্ষৰ বিষ্ণু ৰাভা বঁটা প্ৰদান কৰা হয়। ৰাজ্য চৰকাৰ আৰু ধুবুৰী জিলা প্ৰশাসনৰ সহযোগত কেন্দ্ৰীয়ভাৱে ধুবুৰীত অনুষ্ঠিত চৰকাৰী অনুষ্ঠানত এই বঁটা দুয়োগৰাকী বৰেণ্য ব্যক্তিক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে প্ৰদান কৰে। অনুষ্ঠানতে আন তিনিটা ৰাষ্ট্ৰীয় বঁটা ক্ৰমে ২০২২ বৰ্ষৰ শ্ৰীশ্ৰীমাধৱদেৱ বঁটা সাহিত্যিক অৰূপ কুমাৰ দত্তক, ২০২২ বৰ্ষৰ বীৰ চিলাৰায় বঁটা মৰণোত্তৰভাৱে ছহিদ ভাস্কৰ কলিতাক আৰু ২০২৩ বৰ্ষৰ কালিচৰণ ব্ৰহ্ম বঁটা গৱেষক ড° টিয়াতশি জামিৰলৈ আগ বঢ়োৱা হয়। তদুপৰি কেন্দ্ৰীয় উদ্‌যাপন সভাতে ২০২৩ বৰ্ষৰ শোণিত কোঁৱৰ গজেন বৰুৱা বঁটা লোকশিল্পী নকুল দাসক, ২০২৩ বৰ্ষৰ সতী সাধনী বঁটা বিজ্ঞানী ড° জয়ন্তী চুতীয়াক আৰু স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা সমাজকৰ্মী বলৰাম ফাংচক প্ৰদান কৰা হয়। ১৯৯৩ চনৰ পৰা আৰম্ভ কৰা বিষ্ণুপ্ৰসাদ ৰাভা বঁটাত অন্যান্য সামগ্ৰীৰ লগতে আছে নগদ ৩ লাখ টকা আৰু মানপত্ৰ।

## এছবিআইৰ নতুন মুখ্য মহাপ্ৰবন্ধক সুৰঞ্জনা দত্ত



যোৱা ১৪ জুন তাৰিখে ভাৰতীয় ষ্টেট বেংকৰ (এছবিআই) নতুন মুখ্য মহাপ্ৰবন্ধক হিচাপে অসমীয়া মহিলা বিষয়া সুৰঞ্জনা দত্তই নিযুক্তি লাভ কৰে। উক্ত পদত অধিষ্ঠিত হোৱা সুৰঞ্জনা দত্ত হৈছে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী মহিলা বিষয়া। গুৱাহাটী নিবাসী বিষয়াগৰাকীয়ে ১৯৯১ চনত এছবিআইত প্ৰবেচনাৰী বিষয়াৰূপে যোগদান কৰি ১৯৯৪ চনৰ পৰা ১৯৯৬ চনলৈ এছবিআইৰ টকিঅ'স্থিত কাৰ্য্যালয়ত দক্ষতাৰে কাৰ্য্যনিৰ্বাহ কৰি সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়। দিল্লী বিশ্ববিদ্যালয়ৰ পৰা পৰিসংখ্যাবিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী সুৰঞ্জনা দত্তই জাপানত দেখা কৰ্ম-সংস্কৃতিয়ে তেওঁক কৰ্মৰ প্ৰতি উৎসাহিত আৰু অনুপ্ৰাণিত কৰা বুলি মন্তব্য কৰে।

## ২০-অনূৰ্দ্ধ ফুটবল বিশ্বকাপৰ চেম্পিয়ন উৰুগুৱে

যোৱা ১২ জুন তাৰিখে অনুষ্ঠিত ২০-অনূৰ্দ্ধ বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত উৰুগুৱে ১-০ গ'লৰ ব্যৱধানত ইটালীক পৰাজিত কৰি চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়। আৰ্জেণ্টিনাৰ ডিয়েগো মাৰাডোনা ষ্টেডিয়ামত অনুষ্ঠিত তথা বিশ্বৰ ২৪টা দলে অংশগ্ৰহণ কৰা ২৩ সংখ্যক প্ৰতিযোগিতাত ইজৰাইলে তৃতীয় স্থান দখল কৰে। ১৯৭৭ চনৰ পৰা প্ৰতি দুবছৰৰ মূৰে মূৰে অনুষ্ঠিত হোৱা বিশ্বকাপৰ এই বৰ্ষৰ প্ৰতিযোগিতাত মুঠ ৭টা গ'লেৰে ইটালীৰ চিজাৰ কেচাডেল সৰ্বশ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত হয়।

## ৰাষ্ট্ৰপতি মুৰ্মুলৈ ছুৰিনামৰ সৰ্বোচ্চ অসামৰিক সন্মান

যোৱা ৫ জুন তাৰিখে ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক দক্ষিণ আমেৰিকাৰ দেশ ছুৰিনামৰ সৰ্বোচ্চ অসামৰিক সন্মান 'গ্ৰেণ্ড অৰ্ডাৰ অৱ দা চেইন অৱ দা য়েল' ষ্টাৰ' প্ৰদান কৰা হয়। দেশৰ ৰাষ্ট্ৰপতি হিচাপে অধিষ্ঠিত হোৱাৰ পাছত প্ৰথমবাৰৰ বাবে বিদেশ ভ্ৰমণ কৰা মুৰ্মুক ছুৰিনামৰ এই সৰ্বোচ্চ সন্মান আনুষ্ঠানিকভাৱে প্ৰদান কৰে দেশখনৰ ৰাষ্ট্ৰপতি চন্দ্ৰিকাপ্ৰসাদ সন্তোক্ষীয়ে। উল্লেখযোগ্য যে ছুৰিনামত ভাৰতীয় লোকৰ প্ৰবেশৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে অনুষ্ঠিত সভাত ৰাষ্ট্ৰপতি মুৰ্মুলৈ এই বঁটা আগ বঢ়োৱা হয়। ১৮৭৩ চনৰ ৫ জুনত 'লালা ৰুখ' নামৰ এখন জাহাজত ৪৫২ জন ভাৰতীয়

বনুৱা ছুৰিনামৰ ৰাজধানী পেৰামেৰিবোত উপস্থিত হৈছিল।

## আদিল হুছেইনলৈ শ্ৰেষ্ঠ অভিনেতাৰ সন্মান



যোৱা ৮ জুনৰ পৰা ১৮ জুনলৈ কানাডাৰ অটোৱাত অনুষ্ঠিত ষষ্ঠ অটোৱা চলচ্চিত্ৰ মহোৎসৱত যশস্বী অভিনেতা আদিল হুছেইনে শ্ৰেষ্ঠ অভিনেতাৰ সন্মান বুটলিবলৈ সক্ষম হয়। তেওঁ নাথালিয়া শ্যামৰ দ্বাৰা পৰিচালিত ‘ফুটপ্ৰিণ্টছ অন ৱাটাৰ’ (Footprints on Water) নামৰ চলচ্চিত্ৰখনত কৰা দুৰ্দান্ত অভিনয়ৰ বাবে ‘শ্ৰেষ্ঠ অভিনেতা’ৰ পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হয়। ইংগ-ভাৰতীয় চলচ্চিত্ৰখনত ‘ৰঘু’ নামৰ চৰিত্ৰটোত কৰা অনবদ্য অভিনয়ৰ বাবে তেওঁ এই পুৰস্কাৰ লাভ কৰে। দক্ষিণ এছিয়াৰ পৰা ইংলণ্ডলৈ প্ৰব্ৰজন কৰা লোকসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা আৰু তেওঁলোকৰ সংগ্ৰামী জীৱনেই হৈছে চলচ্চিত্ৰখনৰ মূল উপজীব্য।

## পাঁচগৰাকী অসমীয়ালৈ সাহিত্য অকাডেমি বঁটা

যোৱা ২৩ জুন তাৰিখে ২০২৩ বৰ্ষৰ সাহিত্য অকাডেমি বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰা হয় আৰু পাঁচগৰাকী অসমীয়াই এই বৰ্ষত এই ৰাষ্ট্ৰীয় সন্মান লাভ কৰিবলৈ সক্ষম হয়। সাহিত্য অকাডেমিৰ শিশু সাহিত্যৰ অসমীয়া ভাষা শিতানত ‘পোৱালমণি আৰু চিচিঙৰ দুঃসাহসিক অভিযান’ শীৰ্ষক উপন্যাসৰ বাবে ৰথীন্দ্ৰনাথ গোস্বামীলৈ সাহিত্য অকাডেমি বঁটা আগ বঢ়োৱা হয়। শিশু শিতানৰ বঁটাপ্ৰাপক যোৰহাট নিবাসী ৰথীন্দ্ৰ নাথ গোস্বামী অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি যতীন্দ্ৰ নাথ গোস্বামীৰ পুত্ৰ আৰু অ’ এন জি চিৰ ভূতত্ত্ববিদ হিচাপে কৰ্মৰত। লগতে বড়ো ভাষা শিতানত ‘গছাইনি গৌজৌন নৌজোৰ’ শীৰ্ষক চুটিগল্প সংকলনৰ বাবে প্ৰতিমা নন্দী নাৰ্জাৰীলৈ শিশু সাহিত্য অকাডেমি বঁটা আগ বঢ়োৱা হয়। কোকৰাঝাৰ জিলাৰ দোতমাৰ বাসিন্দা প্ৰতিমা নাৰ্জাৰী অল ইণ্ডিয়া ৰেডিঅ’ৰ নিয়মীয়া নাট্যশিল্পী আৰু এতিয়ালৈকে তেওঁ ২৬ খন গ্ৰন্থ ৰচনা কৰিছে।

তদুপৰি সাহিত্য অকাডেমিৰ যুৱ বঁটা অসমীয়া ভাষা শিতানত ‘মন মৰা তৰা’ শীৰ্ষক চুটিগল্প সংকলনৰ বাবে জিন্তু গীতাৰ্থই (ঠাকুৰীয়া) লাভ কৰিছে। ইতিমধ্যে কেইবাটাও ৰাজ্যিক বঁটা লাভ কৰা জিন্তু গীতাৰ্থৰ জন্মস্থান হৈছে টিহুৰ পিপলিবাৰী গাঁৱত আৰু সম্প্ৰতি তেওঁ গুৱাহাটীৰ সন্দিকৈ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক। বড়ো ভাষাত ওদালগুৰিৰ মাইনাওশ্ৰী দৈমাৰীয়ে ‘ছম জীউ আৰৌ’ শীৰ্ষক কবিতা পুথিৰ বাবে যুৱ বঁটা লাভ কৰিছে। আনহাতে নেপালী ভাষাত ‘ঘাত প্ৰতিঘাতকা উদগহাৰু’ শীৰ্ষক কবিতা পুথিৰ বাবে কাৰ্বি আংলং জিলাৰ নেইমা অধিকাৰীয়ে সাহিত্য অকাডেমি যুৱ বঁটা লাভ কৰে।

## ইণ্ডোনেছিয়া অ’পেনত সাত্বিক-চিৰাগৰ ইতিহাস ৰচনা




যোৱা ১৮ জুনত বেডমিণ্টনত ইতিহাস ৰচনা কৰি ভাৰতীয় খেলুৱৈ যুটি সাত্বিক-চিৰাগে ইণ্ডোনেছিয়া অ’পেন প্ৰতিযোগিতাত চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়। ফাইনেল খেলত ভাৰতীয় যুটিটোৱে মালয়েছিয়াৰ যুটি এ’ৰনছিয়া—ছোহ উই-ইকাৰক ২১-১৭, ২১-১৮ পইণ্টৰ ব্যৱধানত পৰাজিত কৰি চেম্পিয়নৰ খিতাপ লাভ কৰে। জাকাৰ্টাত অনুষ্ঠিত ফাইনেল খেলত জয়লাভৰ জৰিয়তে ভাৰতে প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন ছুপাৰ-১০০০

প্ৰতিযোগিতাৰ খিতাপ লাভ কৰিবলৈ সক্ষম হয়। বিশ্বৰ তৃতীয় বাছনিৰ ভাৰতীয় যুটিটোৱে ইয়াৰ পূৰ্বে কমনৱেলথ গেমছত স্বৰ্ণ আৰু যোৱা বৰ্ষৰ বিশ্ব চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

### প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ

যোৱা ২০ জুন তাৰিখে চাৰিদিনীয়া ভ্ৰমণসূচী লৈ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্ক মহানগৰত উপস্থিত হয়। মুঠ ১০টা কাৰ্য্যসূচীত অংশগ্ৰহণ কৰা প্ৰধানমন্ত্ৰী মোডীয়ে ২১ জুনত ৰাষ্ট্ৰসংঘত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপনত নেতৃত্ব দি তেওঁৰ 'ৰাষ্ট্ৰীয় ভ্ৰমণ'ৰ আৰম্ভণি কৰে। বিশ্বৰ ১৩৫ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা আন্তঃৰাষ্ট্ৰীয় যোগ কাৰ্য্যসূচীৰ পূৰ্বে তেওঁ টুইটাৰ আৰু টেছলা কোম্পানীৰ স্বত্বাধিকাৰী এলন মাস্ক সহিতে কেইবাগৰাকী ভিন্ন ক্ষেত্ৰৰ মুৰব্বীৰ লগত আলোচনাত মিলিত হয়। ৱাশ্বিংটনত তেওঁ মাৰ্কিন সংসদৰ যুটীয়া অধিবেশনত ভাষণ প্ৰদান কৰি মাৰ্কিন ৰাষ্ট্ৰপতি জো বাইডেনৰ লগত দ্বিপাক্ষিক বৈঠকত মিলিত হয়। প্ৰধানমন্ত্ৰী মোডী আৰু ৰাষ্ট্ৰপতি বাইডেনৰ উপস্থিতিত দুয়োখন দেশৰ মাজত কেইবাখনো ঐতিহাসিক চুক্তি স্বাক্ষৰিত হয়। হোৱাইট হাউছত স্বাক্ষৰিত চুক্তি অনুসৰি আমেৰিকাৰ জেনেৰেল ইলেকট্ৰিক কোম্পানীয়ে (GEC) ভাৰতত অত্যাধুনিক জেট যুদ্ধ বিমানৰ ইঞ্জিন (জিইএফ ৪১৪) নিৰ্মাণ কৰিব। তদুপৰি চুক্তিবদ্ধ আন কেইটামান গুৰুত্বপূৰ্ণ বিষয় হ'ল— ২০২৪ চনৰ ভিতৰত ভাৰতীয় মহাকাশচাৰীৰ আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰলৈ যাত্ৰাৰ পৰিকল্পনা, মঙল গ্ৰহৰ অভিযানত ভাৰতে অংশগ্ৰহণ কৰা, ভাৰতে ছিয়াটলত এটা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰতৰ আহমেদাবাদত আৰু বেংগালুৰুত দুটা উপ-দূতাবাস স্থাপন কৰা, এইচ-১ বি ভিছাৰ প্ৰক্ৰিয়াত সৰলীকৰণ, ৮২৫ নিযুত মাৰ্কিন ডলাৰ ব্যয় সাপেক্ষে গুজৰাটত ছিপ কাৰখানা নিৰ্মাণ ইত্যাদি। ৪ দিনীয়া মাৰ্কিন যুক্তৰাষ্ট্ৰ ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোডী ২৪ তাৰিখে ইজিপ্তত উপস্থিত হৈ কেইবাখনো বাণিজ্যিক আৰু সহযোগিতাৰ চুক্তিৰে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰিবলৈ ঐক্যমতত উপনীত হয়।

### অসমৰ সমষ্টি পুনৰ নিৰ্দ্ধাৰণৰ খচৰা প্ৰকাশ

যোৱা ২০ তাৰিখে কেন্দ্ৰীয় নিৰ্বাচন আয়োগে অসমৰ ১২৬টা বিধানসভা আৰু ১৪টা লোকসভা সমষ্টিৰ সীমা নতুনকৈ নিৰ্দ্ধাৰণ কৰি প্ৰথমখন খচৰা প্ৰকাশ কৰে। বিধানসভা আৰু লোকসভাৰ সমষ্টিৰ মুঠ সংখ্যা হ্ৰাস-বৃদ্ধি কৰা হোৱা নাই। ২০২৪ চনৰ লোকসভা নিৰ্বাচন নতুনকৈ নিৰ্দ্ধাৰণ কৰা সমষ্টি অনুসৰি অনুষ্ঠিত হ'ব বুলি কেন্দ্ৰীয় নিৰ্বাচন আয়োগে ঘোষণা কৰে। ৰাজ্যত অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত সমষ্টিৰ সংখ্যা (বিধানসভাত) ১৬ৰ পৰা ১৯লৈ বৃদ্ধিৰ প্ৰস্তাৱ কৰা হৈছে তথা কলিয়াবৰ সমষ্টি আৰু মঙলদৈ লোকসভা সমষ্টি বিলুপ্ত কৰি নতুনকৈ ক্ৰমে কাজিৰঙা আৰু দৰং নামেৰে নামকৰণ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। অসমৰ বিভিন্ন সমষ্টি ৰদ-বদল তথা সীমা সালসলনি কৰাৰ লগতে কামৰূপ (মহানগৰ) জিলাত বিধানসভাৰ সমষ্টিৰ সংখ্যা পাঁচটালৈ বৃদ্ধি কৰা হৈছে। গুৱাহাটীত পূব গুৱাহাটী আৰু পশ্চিম গুৱাহাটী সমষ্টি বিলুপ্ত কৰি পূৰ্বৰ জালুকবাৰী আৰু দিছপুৰ সমষ্টিৰ লগতে নতুনকৈ ডিমৰীয়া (এছচি), নিউ গুৱাহাটী আৰু গুৱাহাটী চেণ্ট্ৰেল সমষ্টি গঠন কৰা হৈছে।

কেন্দ্ৰীয় নিৰ্বাচন আয়োগে সমষ্টি পুনৰ নিৰ্দ্ধাৰণৰ সন্দৰ্ভত অহা ১১ জুলাইলৈ পৰামৰ্শ আৰু ওজৰ আপত্তি গ্ৰহণ কৰিব আৰু জুলাই মাহতে নিৰ্বাচন আয়োগৰ দল অসমলৈ আহি লোক-শুনানি গ্ৰহণ কৰি সমষ্টিৰ সীমা চূড়ান্ত কৰিব। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

## খবৰৰ লেছেৰি বোটলা

**(২১ মে', ২০২৩ৰ পৰা ২০ জুন, ২০২৩লৈ)**

২১ **মে'** : অসমৰ চাহৰ দুশ বছৰীয়া জয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এটা বিশেষ স্মাৰক উন্মোচন কৰে।

২২ **মে'** : পাচাং দাৱা চেৰ্পাই ২৭ সংখ্যকবাৰৰ বাবে মাউণ্ট এভাৰেষ্ট জয় কৰি বিশ্ব অভিলেখ স্থাপন কৰে।

২৩ **মে'** : পাঠশালাৰ ভৰজিৎ চৌধুৰীয়ে যুক্তৰাষ্ট্ৰৰ ছল্ট লেক চিটিত অনুষ্ঠিত মিক্সড মাৰ্চিয়েল আৰ্টছ প্ৰতিযোগিতাত চেম্পিয়ন খিতাপ দখল কৰে।

- কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অসমৰ ড° ময়ূৰ হাজৰিকাই পঞ্চম (পুৰুষৰ প্ৰথম) স্থান দখল কৰি ইতিহাস ৰচনা কৰে।

২৫ **মে'** : কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কামৰূপ জিলাৰ মলঙত নেছনেল ফৰেনচিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে।

২৭ **মে'** : 'মণিকা অ মাই ডাৰ্লিং' ছবিৰ বাবে আবুধাবিত আইফা প্ৰতিযোগিতাত অসমৰ বলয় কুমাৰ দলৈয়ে শ্ৰেষ্ঠ ছাউণ্ড মিক্সিঙৰ সন্মান লাভ কৰে।

২৮ **মে'** : এইচ এছ প্ৰণয়ে মালয়েছিয়া মাষ্টাৰ্চ বেডমিণ্টন প্ৰতিযোগিতাত চেম্পিয়ন খিতাপ লাভ কৰে।

২৯ **মে'** : ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই সফলতাৰে প্ৰথমটো নেভিগেছন কৃত্ৰিম উপগ্ৰহ কক্ষপথত স্থাপন কৰে।

৩০ **মে'** : চীন দেশে তিনিজনীয়া মহাকাশচাৰী বিশিষ্ট মহাকাশযান সফলতাৰে মহাকাশলৈ প্ৰেৰণ কৰিবলৈ সমৰ্থ হয়।

৩১ **মে'** : ৰাষ্ট্ৰীয় পৰিসংখ্যা কাৰ্য্যালয়ৰ মতে ২০২৩ বৰ্ষত ভাৰতীয় অৰ্থনীতিৰ বিকাশৰ হাৰ ৭.২ শতাংশলৈ হ্ৰাস পাইছে।

৪ **জুন** : ৰাষ্ট্ৰসংঘৰ সমীক্ষাত গুৱাহাটী আই.আই.টি.য়ে 'টাইমছ হায়াৰ এডুকেশ্যন ইমপেক্ট ৰেংকিং-২০২৩'ত ষষ্ঠ স্থান দখল কৰে।

৫ **জুন** : ভাৰত চৰকাৰৰ মান নিৰ্দ্ধাৰণ সমীক্ষাত আই.আই.টি. মাদ্ৰাজে শীৰ্ষ শিক্ষানুষ্ঠানৰ সন্মান লাভ কৰে।

৬ **জুন** : বিশ্বৰ শীৰ্ষ ২০খন প্ৰদূষিত চহৰৰ ১৫খন ভাৰতৰ (পাকিস্তানৰ লাহোৰ শীৰ্ষত) বুলি এয়াৰ কোৱালিটি টেকন'লজি সংস্থাই প্ৰকাশ কৰে।

৭ **জুন** : এছিয়ান ২০-অনুৰ্ধ এথলেটিক চেম্পিয়নশ্বিপত ১৫০০ মিটাৰ দৌৰত অসমৰ মেহদী হাচানে ব্ৰঞ্জৰ পদক লাভ কৰে।

৮ **জুন** : ৫০০ টকীয়া নোট বাতিল কৰা নহয় বুলি ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ শক্তিকান্ত দাসে ঘোষণা কৰে।

১০ **জুন** : বিশিষ্ট শিক্ষাবিদ তথা তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য্য ড° কিশোৰী মোহন পাঠকৰ ৯২ বছৰ বয়সত মৃত্যু হয়।

১১ **জুন** : ক্ৰিকেটৰ টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল খেলত ভাৰতক ২০৯ ৰাণত পৰাজিত কৰি অষ্ট্ৰেলিয়াই চেম্পিয়ন খিতাপ দখল কৰে।

১২ **জুন** : পেৰিছ গ্ৰেণ্ড শ্লাম জয়লাভ কৰি ন'ভাক জ'ক'ভিকে টেনিছত ২৩ সংখ্যক খিতাপ জয়ৰ অধিকাৰী হয়।

১৪ **জুন** : চলিত বৰ্ষত ৬,৫০০ ধনাঢ্যই ভাৰত ত্যাগ কৰা বুলি হেনলি ৱেলথ মাইগ্ৰেচনে প্ৰকাশ কৰে।

১৫ **জুন** : বিশ্বত এবছৰত ১০.৮৪ কোটি লোক গৃহহীন হোৱা বুলি ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰে।


১৯ **জুন** : ভুৱনেশ্বৰত অনুষ্ঠিত ৬২ সংখ্যক ৰাষ্ট্ৰীয় এথলেটিকচ চেম্পিয়নশ্বিপত ২০০ মিটাৰ দৌৰত অম্লান বৰগোহাঁয়ে স্বৰ্ণ পদক লাভ কৰে।

৩০ **জুন** : ওড়িষা বালাচৰত যোৱা শতিকাৰ ভয়ংকৰ ৰেল দুৰ্ঘটনাত ২৯১ নিহত আৰু ১০০০ জন আহত হয়। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**




## আমাৰ লাগতিয়াল গছ-গছনি

তোমালোকে বাৰু গছ-গছনি ভাল পোৱানে? নিজে গছপুলি এটা ৰুই প্ৰতিপাল কৰাৰ অভিজ্ঞতা তোমালোকৰ আছেনে বাৰু? গছ যে আমাৰ পৰম বন্ধু সেই কথা তোমালোকে নিশ্চয় জানা। গছৰ বিষয়ে থকা তোমালোকৰ উপযোগী এখন কিতাপৰ কথা আজি ক'বলৈ লৈছোঁ। 'আমাৰ লাগতিয়াল গছ-গছনি' নামৰ এই কিতাপখনত পদ্যৰ মাজেৰে আকৰ্ষণীয়ভাৱে আমাৰ চৌপাশে থকা কিছুমান লাগতিয়াল গছ-গছনিৰ কথা কোৱা হৈছে। তদুপৰি গছ-সম্বন্ধীয় বিভিন্ন তথ্যও কিতাপখনত সন্নিৱিষ্ট হৈ আছে। আমি দেখা গছবোৰৰ বৃদ্ধি, বিকাশ, গছৰ আহাৰ প্ৰস্তুত প্ৰণালী আদিৰ বিষয়েও কিতাপখনত আছে। উদাহৰণ কেইটিমান দিওঁ ৰ'বা—

১। পুলিক লাগে ৰ'দ আৰু
পুলিক লাগে মাটি
পুলিক লাগে বৰষুণ
বতাহৰ ছাটি

২। সকলো বন আৰু গছ-গছনিয়ে
মাটিৰ তলৰ পৰা
ৰস শুহি থাকে
উশাহ-নিশাহো লয়
আমাৰেই দৰে
ৰ'দো এবিধ আহাৰ গছৰ আৰু বনৰ
সেউজীয়া ৰং হয় গছৰ পাতৰ।

গছৰো যে কিমান বিচিত্ৰ কাহিনী আছে। কিছুমান গছ, যেনে—গাজৰ, আলু আদি মাটিৰ তলত বাঢ়ে। গছবোৰে নিজৰ আহাৰো নিজে প্ৰস্তুত কৰে। এই গছ-বনবোৰে আমাৰ পৃথিৱীখনো সুন্দৰ কৰি তোলে। গছবোৰে আমাক ছাঁ দিয়ে, ফল-মূল দিয়ে। গছ-বন নাথাকিলে এই পৃথিৱীত মানুহ বা আন প্ৰাণীবোৰে জীৱন ধাৰণ কৰাটো সম্ভৱ নহ'লহেঁতেন। কিতাপখনত এই কথা বৰ ধুনীয়াকৈ আছে—

সেউজীয়া নহ'লে পৃথিৱী শুকান
তেনেই মৰুভূমি নাই তাত প্ৰাণ
আমিও নেথাকিম নেথাকিব কোনো
গছ-বন নহ'লে জীৱ থাকে জানো?
সেয়েই ৰুমেই আমি
নানা গছ-বন
তেহে, সুখেৰে ৰ'ব
আমাৰ জীৱন।

এই কিতাপখন তেলেগু ভাষাত লিখা হৈছে। কিতাপখনৰ লেখক কে এছ শেখৰম। কিতাপখন অসমীয়ালৈ অনুবাদ কৰিছে ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে। নেশ্যনেল বুক ট্ৰাষ্টে প্ৰকাশ কৰা এই গ্ৰন্থখনৰ মূল্য ৪০ টকা। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## গ্ৰাম'ফ'নৰ উদ্ভাৱন কেতিয়া হৈছিল?



১৮৭৭ চনত বিজ্ঞানী টমাছ আলভা এডিছনে এটা যন্ত্ৰ উদ্ভাৱন কৰে। এই যন্ত্ৰটো প্ৰদৰ্শনৰ বাবে তেওঁ এখন সভা আহ্বান কৰিলে। সভাত মঞ্চৰ ওপৰত আছিল এটা হেণ্ডেল লগোৱা টিনৰ চিলিণ্ডাৰ, তাৰ ওপৰত এটা পিন আৰু পিনৰ লগত সংযুক্ত এটা ধাতৰ নল। উপস্থিত দৰ্শকৰ সন্মুখত যন্ত্ৰটোৰ হেণ্ডেলডাল ঘূৰাই ঘূৰাই এডিছনে গীত এটা গাই গ'ল, 'Marry had a little lamb'। গীতটো শেষ কৰি তেওঁ দুডাল তাঁৰ নতুনকৈ বেটেৰীৰ লগত সংযোগ কৰিলে। তাৰ পাছত আকৌ হেণ্ডেল ঘূৰাই ঘূৰাই যন্ত্ৰটো চলোৱাত এইবাৰ যন্ত্ৰটোৱেও গাবলৈ ধৰিলে, 'Marry had a little lamb'; সেই একেই গান, একেই কণ্ঠ। লগে লগে উপস্থিত দৰ্শকৰ হাত-চাপৰিত চৌদিশ ৰজনজনাই গ'ল। এনে 'মেজিক' ইয়াৰ আগতে কোনেও দেখা নাছিল। এডিছনে অৱশ্যে দৰ্শকসকলক কৈছিল, "এয়া মেজিক বা যাদু নহয়, বিজ্ঞানহে।" প্ৰথমতে এই কথা কোনেও বিশ্বাস কৰা নাছিল যদিও এডিছনে ইয়াৰ তত্ত্বটো বুজাই দিয়াত সকলো অবাক হ'ল। সেয়াই আছিল আধুনিক গ্ৰাম'ফ'নৰ (gramophone) আদি ৰূপ। এডিছনে ইয়াৰ নাম দিছিল 'ফ'ন'গ্ৰাফ' (phonograph)। অৱশ্যে সেই সময়ত জনসাধাৰণে ইয়াৰ নাম দিছিল 'কথা কোৱা যন্ত্ৰ' (talking machine)। পাছলৈ এই যন্ত্ৰ 'এডিফ'ন' বা 'ডিক্টৈ'ফ'ন' নামেৰেও জনাজাত আৰু জনপ্ৰিয় হৈ পৰিছিল। ❖

## আমি সদায় চন্দ্ৰৰ এটা ফালহে দেখোঁ কিয়?

পৃথিৱীৰ দৰে চন্দ্ৰৰো আহ্নিক গতি আছে। চন্দ্ৰই প্ৰায় ২৯ দিনত পৃথিৱীক এবাৰ প্ৰদক্ষিণ কৰে। সেই সময়ৰ ভিতৰতে চন্দ্ৰই নিজ কক্ষপথতো এপাক মাৰে। সেই কাৰণে চন্দ্ৰৰ একেটা পিঠিয়েই সদায় পৃথিৱীৰ ফালে থাকে। কিন্তু চন্দ্ৰই পৃথিৱীক প্ৰদক্ষিণ কৰোঁতে নিজ কক্ষপথত এনে ধৰণে আগ বাঢ়ে যে চন্দ্ৰৰ সিপিঠিৰো সামান্য অংশ মানুহৰ চকুত পৰে। হিচাপ মতে চন্দ্ৰপৃষ্ঠৰ ৫৯ শতাংশহে পৃথিৱীৰ মানুহৰ চকুত পৰে আৰু বাকী ৪১ শতাংশ কেতিয়াও দৃষ্টিগোচৰ নহয়। ❖



*উৎস ঃ শান্তনু কৌশিক বৰুৱাৰ '২৫১ কি কিয় কেনেকৈ'।*

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# অসমীয়া ফকৰা-যোজনা

### বন্ধু চিনিবা বিপদৰ বেলা



সুখ-সমৃদ্ধিৰ দিনত মানুহক আনৰ সহায়ৰ বিশেষ প্ৰয়োজন নহয়। প্ৰয়োজন হয় বিপদৰ সময়তহে। বিপদৰ সময়ত যিসকল আমাৰ কাষত থিয় হয়, সহায়ৰ হাত আগ বঢ়ায় তেওঁহে আমাৰ প্ৰকৃত বন্ধু। কোনজন আমাৰ প্ৰকৃত বন্ধু সেই কথাৰ প্ৰমাণ বিপদৰ সময়তহে পোৱা যায়। বিপদৰ সময়ত বন্ধুসকলে কৰা আচৰণ আৰু তেওঁলোকৰ ভূমিকাই আমাক তেওঁলোকৰ স্বৰূপ বুজাত সহায় কৰে।

**প্ৰায়োগিক বাক্য : মোৰ মূৰৰ ওপৰেৰে ইমান ডাঙৰ দুৰ্য্যোগ এটা পাৰ হ'ল, মাত এষাৰ দিওঁতা হ'লে নোলাল—মানুহে এনেয়ে নকয়—বন্ধু চিনিবা বিপদৰ বেলা। ❖**


### টোপোলা দেখিলে টোপোলা যাচে, ৰ ৰ তোলৈও টোপোলা আছে

এনেকুৱা বহুত মানুহ আছে যিসকলে সকলোকে সমদৃষ্টিৰে নাচায়, চাব নোৱাৰে। যদি কোনোবা মানুহে এনে লোকক কিবা উপহাৰ আগ বঢ়ায়, তেতিয়াহে তেওঁলোকে প্ৰতিদান স্বৰূপে উপহাৰ দিওঁতাজনকো উপহাৰ দিয়ে। অন্যথা উপযাচি কেতিয়াও উপহাৰ নিদিয়ে। "মোক দিলেহেময়ো দিম"—এনে মানসিকতাৰে এইসকল লোকে নিজে টোপোলা পালেহে আনকো টোপোলা যাচে। এই অৰ্থতে যোজনাফাকি ব্যৱহাৰ কৰা হয়।



**প্ৰায়োগিক বাক্য : হৰেনৰ মাকৰ স্বভাৱ আটায়ে জানে—তেওঁ নিজে টোপোলা পালেহে তোক টোপোলা যাচিব—কথাতে কয় নহয় টোপোলা পালেহে টোপোলা যাচে, ৰ ৰ তোলৈও টোপোলা আছে। ❖**

# অসমৰ ঔষধি গছ



**আঁহত গছ :** ইংৰাজী নাম : Sacred Fig, বৈজ্ঞানিক নাম : *Ficus religiosa* : আঁহত এবিধ বৃক্ষজাতীয় পৰ্ণপাতী বা পাৰ্শ্বীয় চিৰসেউজীয়া উদ্ভিদ। ভাৰতীয় সংস্কৃতিত আঁহত গছৰ বিশেষ গুৰুত্ব আছে। এই বিধ গছ ম'ৰেচিয়া (Moraceae) পৰিয়ালৰ অন্তৰ্গত। এই গছজোপাক আৰু অন্য বহুতো নাম, যেনে—বোধি (bodhi tree), পিপল (peepal tree) বা অশ্বত্থ (ashwattha) আদি নামেৰে জনা যায়। এই উদ্ভিদবিধ ভাৰত, বাংলাদেশ, নেপাল, পাকিস্তান, শ্ৰীলংকা, দক্ষিণ-পশ্চিম চীন আৰু ইণ্ডোনেছিয়া আদি দেশত স্থানীয়ভাৱে পোৱা যায়। এই গছজোপাৰ উচ্চতা ৩০ মিটাৰ পৰ্য্যন্ত আৰু ব্যাস ৩ মিটাৰ পৰ্য্যন্ত হ'ব পাৰে। এই গছৰ পাতবোৰ সৰু পাণৰ আকৃতিৰ। আঁহত গছৰ ফলবোৰ সৰু, ইয়াৰ ৰং কেঁচাতে সেউজীয়া আৰু পকিলে বেঙুনীয়া হৈ পৰে। পৰম্পৰাগতভাৱে আঁহতৰ বিভিন্ন অংশ ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়। তথ্য অনুসৰি বিভিন্ন ৰোগ, যেনে—বহুমূত্ৰ, এজমা, ডায়েৰিয়া, হৃদযন্ত্ৰৰ বিভিন্ন বিসংগতি আদিত এই উদ্ভিদ ব্যৱহৃত হয়। ❖

**তেজপাত :** ইংৰাজী নাম : Indian Bay Leaf, বৈজ্ঞানিক নাম : *Cinnamomum tamala :*



সকলোৰে চিনাকি তেজপাত এবিধ সুগন্ধি গুল্মজাতীয় উদ্ভিদ। ই ল'ৰেচিয়া (Lauraceae) পৰিয়ালৰ অন্তৰ্গত এবিধ উদ্ভিদ। এই গছৰ পাত শুকুৱাই বা কেঁচাকৈ মচলা হিচাপে ব্যৱহাৰ কৰা হয়। এই উদ্ভিদ মূলতঃ ভাৰত, বাংলাদেশ, নেপাল, ভূটান আৰু চীন দেশত পোৱা যায়। তেজপাত গছ ওখই প্ৰায় ৭-৮ ফুটমান হয়। কুমলীয়া পাতৰ ৰং ৰঙা। পূৰঠ হ'লে পাতৰ ৰং পাতল সেউজীয়াৰ পৰা ডাঠ সেউজীয়া হয়। তেজপাত ঘাইকৈ খাদ্য সুগন্ধিকৰণত ব্যৱহাৰ কৰা হয় যদিও ইয়াৰ ঔষধি গুণো আছে। বিশেষকৈ তেজপাত মচলা চাহৰ অন্যতম উপাদান। তেজপাত কাচৰ পাত্ৰত থৈ দিলে বহুদিনলৈ ভালে থাকে। অতীজৰে পৰা পৰম্পৰাগত ঔষধ আৰু আয়ুৰ্বেদিক চিকিৎসাত তেজপাত ব্যৱহাৰ কৰা হৈ আছে। চকুৰ ৰোগ, ফোঁহা, ছালৰ ৰোগ, ঘামচি, অৰুচি, মধুমেহ ৰোগ, বদহজম ইত্যাদি বিভিন্ন স্বাস্থ্যজনিত সমস্যাৰ পৰা হাত সৰাৰ ক্ষেত্ৰত এই উদ্ভিদে সহায় কৰে। ❖

# বেদৰ কথা




বেদ প্ৰাচীন ভাৰতীয় সভ্যতা, জ্ঞান, দৰ্শন বিষয়ক চিন্তাৰ সংকলন। প্ৰাচীন কালত ঋষিসকলে গভীৰ সাধনাত নিমগ্ন অৱস্থাত যি ব্ৰহ্মবাণী শ্ৰৱণ কৰিছিল, সেইবোৰেই পাছত বেদ হিচাপে লিপিবদ্ধ হয়। সেইবাবেই বেদৰ আন নাম শ্ৰুতি। বেদৰ কথাবোৰ সাক্ষাৎ ঈশ্বৰৰ মুখ নিসৃত বুলি কোৱা হয়। মুখে মুখে চলি থকা বেদসমূহ কৃষ্ণ দ্বৈপায়ন ঋষিয়ে সংকলন কৰি তাক চাৰিটা সুস্পষ্ট অংশত ভাগ কৰে। এই ভাগকেইটা হ'ল—ঋক্‌বেদ, যজুঃবেদ, সামবেদ আৰু অথৰ্ববেদ। বেদক এনেদৰে বিস্তাৰিত কৰি ভাগ কৰাৰ বাবে কৃষ্ণ দ্বৈপায়ন বেদব্যাস নামেৰে প্ৰখ্যাত হয়।

প্ৰথম অৱস্থাত বেদ তিনিখনেই আছিল। অথৰ্ববেদে পাছতহে বেদৰ মৰ্য্যাদা পাইছিল। ঋক্, যজুঃ আৰু সাম এই তিনিখন বেদত যথাক্ৰমে পদ্য, গদ্য আৰু গীতৰ প্ৰাধান্য আছিল। তিনিখন বেদক 'ত্ৰয়ী' শব্দৰেও বুজোৱা হৈছিল। বেদসমূহৰ ভিতৰত ঋক্‌বেদেই সৰ্বপ্ৰাচীন। পণ্ডিত মেক্সমূলাৰৰ মতে, ঋক্‌বেদৰ ৰচনা কাল খৃষ্টপূৰ্ব দ্বাদশৰ পৰা অষ্টম শতিকাৰ মধ্যৱৰ্তী সময়। আনকেইখন বেদ পৰৱৰ্তী সময়ত ৰচনা কৰা হৈছিল। বেদসমূহৰ ভিতৰত যিবোৰ মন্ত্ৰ ছন্দোবদ্ধ আৰু একো একোটি পূৰ্ণ অৰ্থৰ প্ৰকাশক, সেই মন্ত্ৰবোৰকে ঋক্ বুলি জনা যায়। ঋক্‌বেদ বা ঋক্‌বেদ সংহিতা হ'ল এনে ঋকৰ সংকলন। বৈদিক যুগত সভ্যতা-সংস্কৃতিৰ অধ্যয়নৰ ক্ষেত্ৰত যজুঃবেদ অপৰিহাৰ্য্য, এই বেদত জাতিভেদ, চাৰিবৰ্ণ, অনাৰ্য্য জাতিৰ নাম, জীৱিকা, কুটীৰ শিল্প, আদিবাসীসকলৰ ধৰ্ম আদি বহু গুৰুত্বপূৰ্ণ তথ্য পোৱা যায়। সামবেদ ঋক্‌বেদৰ সময়তে ৰচিত। সামবেদত থকা প্ৰায়সংখ্যক মন্ত্ৰই ঋক্‌বেদত আছে। অৱশ্যে সামবেদত আটাইবোৰ মন্ত্ৰই গীতৰ দৰে আছে। যিবোৰ মন্ত্ৰক সুৰেৰে গোৱা হয় সেইবোৰকে সাম বুলি জনা যায়। সমগ্ৰ সামবেদখনেই দৰাচলতে উপাসনা মন্ত্ৰ আৰু গীতৰ এখন সংকলন। অথৰ্ববেদক ব্ৰহ্মবেদ বুলিও জনা যায়। অথৰ্ব ঋষি বা অথৰ্বা আৰু অংগিৰা ঋষিৰ বংশৰ বা ভৃগুবংশীয় মুনিসকলক এই বেদৰ সংকলনকাৰী বুলি কোৱা হয়। অথৰ্ববেদৰ মুঠ ৬০০০ মন্ত্ৰৰ ১২০০ মন্ত্ৰ ঋক্‌বেদৰ পৰা অনা। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

## প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| ভাও, মুখা | facade | প্ৰিয়পাত্ৰ | favourite |
| কাৰখানা | factory | সংহতি | set, integrity |
| শুদ্ধ প্ৰতিলিপি | fair copy | মাচুল | fee |
| মিছা | false | সাৰ | fertiliser |
| পৰিয়াল | family | উৎসৱ | festival |
| দুৰ্ভিক্ষ, আকাল | famine | অবাস্তৱ | fictitious |
| পাংখা, বিচনী | fan | চলচ্চিত্ৰ, বোলছবি | film, movie |
| পাম | farm | মল, মলি | filth |
| খেতিয়ক | farmer | অন্তিম, চূড়ান্ত | final |
| বিদায় | farewell | অৰ্থ, বিত্ত | finance |
| বিশ্বাস | faith | সীমান্ত | frontier |
| মাৰাত্মক, ভয়াবহ | fatal | বানপানী | flood |
| দোষ | fault | ত্ৰুটি, ছিদ্ৰ | flaw |
| উদ্ভিদ আৰু প্ৰাণী | flora and fauna | খাদ্য | food |
| অনুগ্ৰহ | favour | পদ পথ | foot path ❖ |

*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষা)*

# ভাৰতৰ নতুন সংসদ ভৱন

■ প্ৰণীতা দেৱী



সংসদ ভৱনটোক ভাৰতৰ গণতান্ত্ৰিক ব্যৱস্থাৰ কেন্দ্ৰ বুলি অভিহিত কৰিব পাৰি। কিয়নো এই সংসদ ভৱনতে জনসাধাৰণৰ প্ৰতিনিধিসকল একত্ৰিত হৈ দেশৰ বাবে প্ৰয়োজনীয় আইন প্ৰণয়ন কৰে। ভাৰতৰ সংসদ ভৱনটো নতুন দিল্লীত অৱস্থিত।

কেন্দ্ৰীয় চৰকাৰে নতুন দিল্লীৰ সংসদ ভৱনকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন কাৰ্য্যালয়সমূহ পুনৰ বিকশাই তোলাৰ বাবে চেণ্ট্ৰেল ভিষ্টা ৰিডেভেলপমেণ্ট (Central Vista Redevelopment) প্ৰকল্প গ্ৰহণ কৰিছে। এই প্ৰকল্পৰ অংশ হিচাপে নিৰ্মাণ কৰা নতুন সংসদ ভৱনটো যোৱা ২৮ মে'ত উদ্বোধন কৰা হয়।

ভাৰতৰ পুৰণি সংসদ ভৱনটো ১৯২৭ চনত বৃটিছ শাসনকালত নিৰ্মাণ কৰা হৈছিল। বৃটিছ স্থপতিবিদ ছাৰ এডউইন লুটিয়েনছ (Sir Edwin Lutyens) আৰু ছাৰ হাৰ্বাৰ্ট বেকাৰে (Sir Herbert Baker) পুৰণি সংসদ ভৱনটোৰ আৰ্হি প্ৰস্তুত কৰিছিল। ১৯১১ চনৰ ১২ ডিচেম্বৰত বৃটিছ চৰকাৰে ভাৰতৰ শাসনকাৰ্য্য কলিকতাৰ পৰিবৰ্তে দিল্লীৰ পৰা পৰিচালনা কৰাৰ কথা ঘোষণা কৰিছিল। সেই ঘোষণা মৰ্মেই দিল্লীৰ পৰা শাসনকাৰ্য্য পৰিচালনাৰ বাবে এটা নতুন ভৱনৰ প্ৰয়োজন হৈছিল। সংসদ ভৱনটো নিৰ্মাণ কৰাৰ বাবে ১৯২১ চনৰ পৰা ১৯২৭ চনলৈ মুঠ ৬ বছৰ সময় লাগিছিল। ১৯২৭ চনৰ ১৮ ফেব্ৰুৱাৰীত সেই সময়ৰ ভাইচৰয় লৰ্ড আৰউইনে সংসদ ভৱনটো উদ্বোধন কৰিছিল।

২০১০ চনৰ আৰম্ভণিতে এই সংসদ ভৱনটোৰ স্থায়িত্বক লৈ প্ৰশ্ন উত্থাপন হৈছিল। এই ভৱনটো গাঁথনিগত দিশৰ পৰা ভূমিকম্প প্ৰতিৰোধী নোহোৱাৰ লগতে সাংসদ তথা কৰ্মচাৰীসকলৰ বাবে প্ৰয়োজনীয় ঠাইৰ অভাৱ হৈছিল। সেয়ে ২০১২ চনত তেতিয়াৰ লোকসভাৰ অধ্যক্ষ মীৰা কুমাৰৰ অধ্যক্ষতাত সংসদ ভৱনৰ বিকল্পৰ সন্ধান কৰাৰ বাবে এখন সমিতি গঠন কৰি দিয়া হৈছিল। লোকসভাৰ প্ৰাক্তন অধ্যক্ষগৰাকীয়ে ২০১২ চনতে নতুন ভৱন এটা নিৰ্মাণৰ বিষয়টোত অনুমোদন জনাইছিল। ইয়াৰ লগতে সংসদ ভৱনটো দেশৰ ঐতিহ্যৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰি ইয়াৰ সংৰক্ষণত গুৰুত্ব আৰোপ কৰা হৈছিল।

২০১৯ চনত কেন্দ্ৰীয় চৰকাৰে চেণ্ট্ৰেল ভিষ্টা ৰিডেভেলপমেণ্ট প্ৰকল্প আৰম্ভ কৰিছিল। এই প্ৰকল্পৰ অধীনত নতুন দিল্লীৰ কৰ্তব্য পথৰ পুনৰ্নিৰ্মাণ, উপ-ৰাষ্ট্ৰপতিৰ বাবে এটা নতুন বাসভৱন, প্ৰধানমন্ত্ৰীৰ বাবে নতুন বাসভৱন তথা কাৰ্য্যালয় আৰু এটা কেন্দ্ৰীয় সচিবালয়তে সকলোবোৰ মন্ত্ৰালয়ৰ ভৱনৰ লগতে এটা নতুন সংসদ ভৱন নিৰ্মাণৰ বিষয়টোও অন্তৰ্ভুক্ত হৈছিল।

১৯২০ চনৰ ১০ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে নতুন সংসদ ভৱনটোৰ আধাৰশিলা স্থাপন



কৰিছিল। চেণ্ট্ৰেল ভিষ্টা প্ৰকল্পৰ আৰ্হি প্ৰস্তুতকৰণৰ দায়িত্বত আছিল স্থপতিবিদ বিমল পেটেল। নতুন ভৱনটো ষড়ভুজ আকৃতিৰ (heaagonal)। এই ভৱনটো ১৫০ বছৰতকৈও অধিক কাল কাৰ্য্যক্ষম হৈ থাকিব পৰাকৈ নিৰ্মাণ কৰা হৈছে। এই ভৱনটো ভূমিকম্প প্ৰতিৰোধ কৰিব পৰাকৈ নিৰ্মাণ কৰা হৈছে। আনহাতে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ স্থাপত্যশৈলী ইয়াত সন্নিৱিষ্ট কৰা হৈছে। তদুপৰি পূৰ্বৰ সংসদ ভৱনটোৰ তুলনাত নতুন ভৱনটোত আসনৰ সংখ্যাও বৃদ্ধি কৰা হৈছে। দেশত জনসংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি ভৱিষ্যতে সমষ্টিৰ পুনৰ নিৰ্দ্ধাৰণ হ'লে আসনৰ সংখ্যাৰ ক্ষেত্ৰত যাতে নাটনি নহয় তাৰ বাবে পৰ্য্যাপ্ত আসন বৃদ্ধি কৰা হৈছে। এই নতুন ভৱনটোত লোকসভাৰ বাবে ৮৮৮ খন আসন আৰু ৰাজ্যসভাৰ বাবে ৩৮৪ খন আসনৰ ব্যৱস্থা কৰা হৈছে। পুৰণি সংসদ ভৱনটোত থকাৰ দৰে নতুন ভৱনটোত কেন্দ্ৰীয় কক্ষৰ (Central Hall) ব্যৱস্থা নাই। সংসদৰ যুটীয়া অধিবেশন অনুষ্ঠিত কৰিবলগীয়া হ'লে লোকসভাৰ কক্ষতে ১২৭২ গৰাকী সদস্যৰ বাবে আসনৰ ব্যৱস্থা আছে। আনহাতে ভৱনটোৰ বাকী অংশত থকা চাৰিটা মহলাত মন্ত্ৰীসকলৰ কাৰ্য্যালয় আৰু সমিতিৰ কোঠা আছে। নতুন সংসদ ভৱনটোত তিনিখন প্ৰবেশ দ্বাৰ আছে। এই প্ৰবেশ দ্বাৰকেইখনক জ্ঞান দ্বাৰ, শক্তি দ্বাৰ আৰু কৰ্ম দ্বাৰ নামেৰে নামকৰণ কৰা হৈছে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই নতুন সংসদ ভৱনটো উদ্বোধন কৰাৰ দিনা লোকসভা কক্ষত ছেংগল নামৰ ৰাজদণ্ড এডাল স্থাপন কৰে। চোল বংশৰ শাসন কালত ক্ষমতাৰ হস্তান্তৰৰ প্ৰতীক হিচাপে এই ছেংগল ব্যৱহাৰ কৰা হৈছিল। ভাৰতে বৃটিছৰ পৰা শাসনভাৰ লাভ কৰাৰ সময়তো গৱৰ্ণৰ জেনেৰেল লৰ্ড মাউণ্টবেটেনে প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুক এই ছেংগল অৰ্পণৰ জৰিয়তে ক্ষমতা হস্তান্তৰ কৰিছিল। ছেংগলক ন্যায়ৰ প্ৰতীক হিচাপে ধৰা হয়। যিগৰাকী শাসকলৈ ছেংগল হস্তান্তৰ কৰা হয় সেইগৰাকী শাসক ন্যায় আৰু সুশাসনৰ প্ৰতি দায়বদ্ধ হৈ থাকিব বুলি বিশ্বাস কৰা হয়।

এই নতুন ভৱনটো টাটা গোটৰ টাটা প্ৰজেক্টছ লিমিটেড নামৰ আন্তঃগাঁথনিৰ কাম কৰা প্ৰতিষ্ঠানটোৱে নিৰ্মাণ কৰিছে। মাত্ৰ ২১ মাহতে ৯৪০ কোটি টকা ব্যয়েৰে এই ভৱনটো নিৰ্মাণ কৰা হয়। লোকসভাৰ অভ্যন্তৰভাগ ৰাষ্ট্ৰীয় চৰাই ময়ূৰ আৰু ৰাজ্যসভাৰ অভ্যন্তৰভাগ জাতীয় ফুল পদুমক মূল বিষয়বস্তু হিচাপে লৈ নিৰ্মাণ কৰা হৈছে। নতুন ভৱনটোত দেশৰ বিভিন্ন প্ৰান্তৰ বিশেষত্বও সন্নিৱিষ্ট কৰা হৈছে। এই নতুন ভৱনটোক লৈ আৰম্ভণিৰে পৰা বিভিন্ন বিতৰ্ক আৰু সমালোচনাৰ সূত্ৰপাত হৈছিল। এই বিতৰ্ক-সমালোচনা সত্ত্বেও গণতন্ত্ৰৰ মন্দিৰস্বৰূপ নতুন ভৱনটোৱে দেশবাসীৰ আশা-আকাংক্ষা পূৰণত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। ❖

# চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ১৯৪


| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 6 | 4 | 7 | 5 | 3 | 8 | 1 | 9 | 2 |
| 9 | 5 | 3 | 2 | 6 | 1 | 4 | 7 | 8 |
| 2 | 8 | 1 | 4 | 9 | 7 | 6 | 5 | 3 |
| 8 | 6 | 5 | 7 | 2 | 9 | 3 | 1 | 4 |
| 3 | 9 | 4 | 1 | 8 | 5 | 2 | 6 | 7 |
| 7 | 1 | 2 | 6 | 4 | 3 | 9 | 8 | 5 |
| 1 | 2 | 8 | 9 | 7 | 4 | 5 | 3 | 6 |
| 5 | 7 | 6 | 3 | 1 | 2 | 8 | 4 | 9 |
| 4 | 3 | 9 | 8 | 5 | 6 | 7 | 2 | 1 |

## চুড'কু ১৯৫

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | 7 | | | 1 | | | 2 | |
| 5 | | | | 2 | 7 | | | 1 |
| | | 2 | 5 | | 8 | | | 4 |
| | | | 9 | | | | | |
| 8 | 6 | | 1 | | | 9 | 5 | 3 |
| | | | 3 | | | 1 | | |
| 3 | | | | | | | | 9 |
| | 2 | | 7 | 5 | | | | |
| | | | 2 | 3 | | 4 | 8 | |

### তোমালোকে জানানে ?

## আপেক্ষিকতাবাদ কি ?



আপেক্ষিকতাবাদ হ'ল বিজ্ঞানী আইনষ্টাইনৰ প্ৰসিদ্ধ মতবাদ। এই মতবাদ মূলতঃ দুটা সিদ্ধান্তৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰথম, কোনো বস্তুৰ গতি নিৰপেক্ষ হোৱা সম্ভৱ নহয়; দ্বিতীয়, স্থান আৰু কাল পৰস্পৰ সম্বন্ধযুক্ত, অৰ্থাৎ আপেক্ষিক; ইয়াৰ এটাক বাদ দি আনটোৰ অস্তিত্ব সম্ভৱ নহয়। কোনো বস্তুৰ গতি আন কোনো স্থিৰ বস্তুৰ পৰিপ্ৰেক্ষিততেই নিৰ্দ্ধাৰিত হ'ব পাৰে। কিন্তু এই বিশ্বত কোনো বস্তুৱে স্থিৰ নহয়, পৃথিৱী, গ্ৰহ-নক্ষত্ৰ আদি সকলোৱেই মহাশূন্যত গতিশীল। সকলো ধৰণৰ গতিয়েই আপেক্ষিক। মহাশূন্যত ভ্ৰাম্যমাণ বস্তু মাত্ৰেই অৱস্থান অনুযায়ী সময় আৰু সময় অনুযায়ী অৱস্থান ল'বলৈ বাধ্য। আইনষ্টাইনৰ এই মতবাদৰ বিস্তৃত যুক্তিত জ্যোতিৰ্বিজ্ঞানৰ বিভিন্ন অভিনৱ তথ্য উদ্‌ঘাটন হৈছে; পদাৰ্থৰ পাৰমাণৱিক শক্তি সম্পৰ্কীয় বিবিধ তথ্যও প্ৰমাণ হৈছে। বহু জটিল যুক্তি আৰু গাণিতিক সমাধানৰ ভিত্তিত প্ৰতিষ্ঠিত আইনষ্টাইনৰ এই মতবাদ বাস্তৱ পৰীক্ষা আদি সকলো ক্ষেত্ৰতে নিৰ্ভুল বুলি প্ৰমাণিত হৈছে। ❖

*উৎস ঃ শান্তনু কৌশিক বৰুৱাৰ '২৫১ কি কিয় কেনেকৈ'।*

# বিএছচি নাৰ্ছিং

■ জোনালী দেৱী



যিসকল শিক্ষাৰ্থীয়ে স্বাস্থ্য আৰু চিকিৎসা ক্ষেত্ৰক নিজৰ কেৰিয়াৰ হিচাপে ল'ব বিচাৰে, তেওঁলোকে এমবিবিএছ (Bachelor of Medicine and Bachelor of Surgery), বিএইছএমএছ (Bachelor of Homeopathic Medicine and Surgery), বিএএমএছ (Bachelor of Ayurvedic Medicine and Surgery) আদি পাঠ্যক্ৰমৰ বাহিৰেও বিএছচি নাৰ্ছিং (B.Sc. Nursing) পাঠ্যক্ৰম বাছনি কৰিব পাৰে।

বিএছচি নাৰ্ছিং বা বেচেলৰ অফ ছায়েন্স ইন নাৰ্ছিং (Bachelor of Science in Nursing) পাঠ্যক্ৰম চিকিৎসাবিজ্ঞানৰ ক্ষেত্ৰত এক চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম। যিসকল শিক্ষাৰ্থীয়ে জীৱবিজ্ঞানক এক বিষয় হিচাপে লৈ বিজ্ঞান শাখাত দ্বাদশ শ্ৰেণীত উত্তীৰ্ণ হৈছে বা দ্বাদশৰ (যিকোনো শাখা) পাছত নাৰ্ছিঙত ডিপ্ল'মা সম্পূৰ্ণ কৰিছে তেওঁলোকে বিএছচি নাৰ্ছিং পাঠ্যক্ৰমৰ বাবে আবেদন বা এই পাঠ্যক্ৰমত যোগদান কৰিব পাৰে।

## বিএছচি নাৰ্ছিং পাঠ্যক্ৰমত যোগদানৰ প্ৰক্ৰিয়া

ইচ্ছুক শিক্ষাৰ্থীসকলে আমাৰ দেশৰ চৰকাৰী অথবা বেচৰকাৰী যিকোনো শিক্ষানুষ্ঠানতেই এই পাঠ্যক্ৰম কৰিব পাৰে। চৰকাৰী শিক্ষানুষ্ঠান, যেনে— আঞ্চলিক নাৰ্ছিং মহাবিদ্যালয়, গুৱাহাটী (Regional College of Nursing, Guwahati), বিএছচি নাৰ্ছিং কলেজ, ডিব্ৰুগড় (B.Sc. Nursing College, Dibrugarh), বিএছচি নাৰ্ছিং কলেজ, শিলচৰ (B.Sc. Nursing College, Silchar) তথা দেশৰ প্ৰায়ভাগ চিকিৎসা মহাবিদ্যালয় তথা এইমছ (All India Institute of Medical Sciences) আদি শিক্ষানুষ্ঠানত নামভৰ্তি কৰিব পাৰে। এই পাঠ্যক্ৰমত যোগদানৰ বাবে শিক্ষাৰ্থীসকলে ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থাৰ (National Testing Agency, NTA) দ্বাৰা পৰিচালিত এনইইটি (National Eligibility cum Entrance Test) পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগে। এই পৰীক্ষাত প্ৰাপ্ত নম্বৰৰ ভিত্তিত শিক্ষাৰ্থীসকলে এই শিক্ষানুষ্ঠানসমূহত যোগদান কৰিব পাৰে। এনইইটিৰ (NEET) উপৰি এইমছৰ (AIIMS) নাৰ্ছিং প্ৰৱেশ পৰীক্ষা, এএফএমচি (Armed Force Medical College, AFMC) প্ৰৱেশ পৰীক্ষা, পিপিএমইটি (Punjab Para Medical Entrance Test) প্ৰৱেশ পৰীক্ষা আদি বিভিন্ন প্ৰৱেশ পৰীক্ষাত অৱতীৰ্ণ হৈ এই পৰীক্ষাত প্ৰাপ্ত নম্বৰৰ ভিত্তিতো শিক্ষাৰ্থীসকলে উক্ত অনুষ্ঠানত বিএছচি নাৰ্ছিং পাঠ্যক্ৰমত যোগদান কৰিব পাৰে। প্ৰতি বছৰে জুন মাহত এই পৰীক্ষাসমূহৰ আবেদনৰ লিংক মুকলি কৰা হয় আৰু জুলাই মাহত এই প্ৰৱেশ পৰীক্ষাসমূহ অনুষ্ঠিত হয়।

বেচৰকাৰী (Private) শিক্ষানুষ্ঠানসমূহৰ কিছুসংখ্যক অনুষ্ঠানে নিজাববীয়াকৈ প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰে যদিও, শিক্ষাৰ্থীসকলে দ্বাদশত (বিজ্ঞান শাখা) প্ৰাপ্ত নম্বৰৰ ভিত্তিতো এই পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰে।

বিএছচি নাৰ্ছিঙৰ এই চাৰি বছৰীয়া পাঠ্যক্ৰমৰ অন্তত শিক্ষাৰ্থীসকলে এই ক্ষেত্ৰত উপলব্ধ বিভিন্ন পদত নিজকে সংস্থাপিত কৰিব পাৰে অথবা বিএছচি নাৰ্ছিঙৰ পাছত এমএছচি নাৰ্ছিং (M.Sc. Nursing), চিকিৎসালয় ব্যৱস্থাপনা পাঠ্যক্ৰম (Hospital Management Course) আদি পাঠ্যক্ৰমত যোগদান কৰিব পাৰে।

বিএছচি নাৰ্ছিঙৰ ডিগ্ৰী লাভ কৰাসকলে চিকিৎসালয়, বিভিন্ন উদ্যোগ, প্ৰতিৰক্ষা বাহিনী আদি বিভিন্ন ক্ষেত্ৰত নিযুক্তি লাভ কৰিব পাৰে। ❖

# বৰ্ণ ক্ৰমাংক সম্পৰ্কীয় সমস্যা

■ ঘনশ্যাম মেধি

তলৰ প্ৰশ্নসমূহত এটা শব্দৰ বৰ্ণবোৰ নিৰ্দিষ্ট এটা নিয়মত অন্য এটা এটা শব্দৰ বৰ্ণৰে সলোৱা হৈছে। আমি সেই নিৰ্দিষ্ট নিয়মটো উলিয়াই প্ৰশ্নটো সমাধান কৰিব লাগে। এনে ধৰণৰ বিভিন্ন প্ৰশ্নৰ লগত জড়িত নিৰ্দিষ্ট নিয়মবোৰ বিভিন্ন ধৰণৰ। কেইটামান উদাহৰণৰ সহায়ত এনেধৰণৰ প্ৰশ্নৰ সমাধান ব্যাখ্যা কৰা হ'ল।

**প্ৰত্যক্ষ বৰ্ণ পদ্ধতিৰ** (direct letter coding) **সমস্যা**

তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰৰ বাবে 5টাকৈ বিকল্প দিয়া আছে। শুদ্ধ উত্তৰটো বাছি উলিওৱা।

1. কোনো এটা নিৰ্দিষ্ট নিয়মত 'STARK' শব্দটো 'LBFMG' আৰু 'MOBILE' শব্দটো 'TNRSPJ' বুলি লিখা হয়। তেনেহ'লে 'BLAME' শব্দটো কেনেদৰে লিখা হ'ব?

উত্তৰ : (a) TSFRJ (b) RPFTJ (c) NJFTP (d) TSFGJ (e) ওপৰৰ এটাও নহয়

সমাধান :

| | |
|---|---|
| S → L | M → T |
| T → B | O → N |
| A → F | B → R |
| R → M | I → S |
| K → G | L → P |
| | E → J |

সেইদৰে

| | | |
|---|---|---|
| B | → | R |
| L | → | P |
| A | → | F |
| M | → | T |
| E | → | J |

উত্তৰ : (b) RPFTJ

2. নিৰ্দিষ্ট এটা নিয়মত 'SHEEP' শব্দটো 'GAXXR' আৰু 'BLEAT' শব্দটো 'HPXTN' বুলি লিখা হয়। তেনেহ'লে 'SLATE' শব্দটো কেনেদৰে লিখা হ'ব?

উত্তৰ : (a) GPTNX (b) GPTXN (c) GPXNT (d) PTGXN (e) ওপৰৰ এটাও নহয়

সমাধান :

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| S | → | G | আৰু | B | → | H | সেইদৰে | S | → | G |
| H | → | A | আৰু | L | → | P | সেইদৰে | L | → | P |
| E | → | X | আৰু | E | → | X | সেইদৰে | A | → | T |
| E | → | X | আৰু | A | → | T | সেইদৰে | T | → | N |
| P | → | R | আৰু | T | → | N | সেইদৰে | E | → | X |

উত্তৰ : (a) GPTNX

## মানসিক সামৰ্থ্য বিকাশ

**তলৰ প্ৰশ্নসমূহ সমাধান কৰা।**

1. কোনো এক নিৰ্দিষ্ট নিয়মত 'CERTAIN' শব্দটোক 'XVIGZRM' আৰু 'SEQUENCE' শব্দটোক 'HVJFVMXU'ৰে বুজালে 'REQUIRED' শব্দটোক কেনেদৰে বুজোৱা হ'ব?

উত্তৰ : (a) FJIVWVIR (b) VJIFWTRV (c) WVJRIFVI (d) IVJFRIVW (e) ওপৰৰ এটাও নহয়

2. নিৰ্দিষ্ট নিয়মত 'JUNE' শব্দটো 'PQRS' আৰু 'AUGUST' শব্দটো 'WQFQMN' বুলি লিখা হয়। তেনেহ'লে 'GUEST' শব্দটো কেনেদৰে লিখা হ'ব?

উত্তৰ : (a) FQTMN (b) FPSMN (c) FQSMN (d) FQSNM (e) ওপৰৰ এটাও নহয়

3. নিৰ্দিষ্ট নিয়মত 'PARENT' শব্দটো 'BDFGJK' আৰু 'CHILDREN' শব্দটো 'MOXQUFGJ' বুলি লিখা হয়। তেনেহ'লে 'REPRINT' শব্দটো কেনেদৰে লিখা হ'ব?

উত্তৰ : (a) FGBFXJK (b) FGBUXJK (c) FGBFXGD (d) BGFXJK (e) ওপৰৰ এটাও নহয়

4. নিৰ্দিষ্ট নিয়মত 'EARTH' শব্দটো 'QPMZS' বুলি লিখা হয়। তেনেহ'লে 'HEART' শব্দটো কেনেদৰে লিখা হ'ব?

উত্তৰ : (a) SQPZM (b) SQMPZ (c) SPQZM (d) SQPMZ (e) ওপৰৰ এটাও নহয়

5. নিৰ্দিষ্ট নিয়মত 'ANU' শব্দটো 'MSW' আৰু 'VINAY' শব্দটো 'PLSMZ' বুলি লিখা হয়। তেনেহ'লে 'ANUVI' শব্দটো কেনেদৰে লিখা হ'ব?

উত্তৰ : (a) MSNPL (b) MPNSL (c) MSMPL (d) MQMPL (e) ওপৰৰ এটাও নহয়

6. নিৰ্দিষ্ট নিয়মত 'APPLE' শব্দটো 'PQQRS' আৰু 'RIS' শব্দটো 'ABC' আৰু 'MANGO' শব্দটো 'TPXYZ' বুলি লিখা হয়। তেন্তে 'ROSE' শব্দটো কেনেদৰে লিখা হ'ব?

উত্তৰ : (a) ABCS (b) ACBS (c) AXSC (d) AXQS (e) ওপৰৰ এটাও নহয়

7. নিৰ্দিষ্ট নিয়মত 'PRINCE' শব্দটো 'FLOWER' আৰু 'PRINCESS' শব্দটো 'FLOWERSS' বুলি লিখা হয়। তেনেহ'লে 'SLOWERS' শব্দটো কেনেদৰে লিখা হ'ব?

উত্তৰ : (a) SRINCE (b) SIRNCE (c) SRNICE (d) SRINEC (e) ওপৰৰ এটাও নহয়

8. নিৰ্দিষ্ট নিয়মত 'ORGANISATION' শব্দটো 'CBDWLQJWYQCL' আৰু 'OPERATION' শব্দটো 'CXFBWYQCL' বুলি লিখা হয়। তেন্তে 'SEPARATION' শব্দটো কেনেদৰে লিখা হ'ব?

উত্তৰ : (a) EJXEBYQCL (b) JFQYWBCXQL (c) JFXWBWYQCL
(d) QCLYWBFXJE (e) ওপৰৰ এটাও নহয়

উত্তৰসমূহ : 1. (d) 2. (c) 3. (a) 4. (d) 5. (a) 6. (d) 7. (a) 8. (c)

# মটৰ গাড়ীৰ ইতিহাস

■ দীপক কোচ



গাড়ী শব্দটো বৰ্তমান সকলোৰে পৰিচিত। গাড়ী বুলিলেই আমাৰ মনলৈ আহে দুটা, তিনিটা, চাৰিটা চকাৰে নিৰ্মিত, শব্দ কৰা এবিধ চলন্ত যন্ত্ৰ কথা। কিন্তু আজিৰ পৰা হাজাৰ হাজাৰ বছৰৰ আগতে যাতায়াতৰ আহিলাসমূহ আছিল গাধ, ঘোঁৰা, গৰু, উট আদি। আজিৰ পৰা প্ৰায় ৫,৫০০ বছৰৰ পূৰ্বে প্ৰাচীন মেছ'পটেমিয়াত (বৰ্তমানৰ ইৰাক) চকাৰ আৱিষ্কাৰ হোৱাৰ কথা ইতিহাসে কয়। মটৰ গাড়ী অৰ্থাৎ অট'ম'বাইল শব্দটো প্ৰাচীন গ্ৰীক শব্দ ‘autoc’ আৰু 'mobilis' এই শব্দ দুটাৰ পৰা অহা। অৰ্থাৎ আমি ক'ব পাৰোঁ যে অট'ম'বাইলৰ অৰ্থ স্ব-চলন্ত অৰ্থাৎ নিজে চলিব পৰা বাহন। ৩২০০ খৃষ্টপূৰ্বত মেছ'পটেমিয়াত যাতায়াতৰ বাবে প্ৰথম গাড়ী ব্যৱহাৰ কৰা হয় বুলি জনা যায়। মিছৰীয়ানসকলে স্প'কৰ সহায়ত ২০০০ খৃষ্টপূৰ্বত চকা সাজি যাতায়াত ব্যৱস্থা চলাইছিল বুলি বিশ্বাস কৰা হয়।

মটৰ গাড়ীৰ ইতিহাস প্ৰায় ২৫০ বছৰ পুৰণি। ১৭৬৯ চনত নিক'লাছ যোছেফ ক'গনাটে (Nicolas-Joseph Cugnot) ভাপ ইঞ্জিনৰ দ্বাৰা চালিত প্ৰথম বাহনখন নিৰ্মাণ কৰিছিল আৰু তেতিয়াই ইয়াৰ আৰম্ভণি হৈছিল। এই বাহনখনৰ গতি আছিল প্ৰতি ঘণ্টাত ২.৫ মাইল আৰু ই ১৫ মিনিট সময়হে একেৰাহে চলিছিল। ১৮৮০ চনত জাৰ্মান আৰু ফৰাচী লোকসকলে এখন আভ্যন্তৰীণ দহন ইঞ্জিন (য'ত ইন্ধনৰ প্ৰজ্বলন আৰু দহন একেটা ইঞ্জিনৰ ভিতৰতে হয়) থকা বাহন নিৰ্মাণ কৰিছিল। এই বাহনখন তেওঁলোকে ফল কঢ়িয়াবৰ বাবে ব্যৱহাৰ কৰিছিল। ১৮৮৫ চনত জাৰ্মানীৰ বেঞ্জ (Benz) নামৰ এটা কোম্পানীয়ে এটা আভ্যন্তৰীণ দহন ইঞ্জিনেৰে চলা উন্নতমানৰ তিনিচকীয়া বাহন এখন নিৰ্মাণ কৰিছিল। আজিৰ গাড়ীবোৰক আমি যিটো ৰূপত দেখিছোঁ তাৰ প্ৰথমটো নিৰ্মাণ কৰা হৈছিল ফ'ৰ্ড (Ford) নামৰ এটা কোম্পানীৰ দ্বাৰা ১৯০৮ চনত আমেৰিকাত। এই কোম্পানীটোৱে ২০ হাজাৰখন গাড়ী নিৰ্মাণ কৰি বিক্ৰী কৰিছিল। এই ক্ষেত্ৰত কোম্পানীটোৱে গাড়ীসমূহৰ প্ৰতিটো স্তৰতে গুৰুত্বপূৰ্ণ উন্নতি সাধন কৰিছিল। কোম্পানীটোৱে সকলো সময়তে বাহনবোৰত নতুন নতুন প্ৰযুক্তিৰে উন্নত সা-সুবিধা সংযোজন কৰিবলৈ চেষ্টা কৰি আহিছে। উল্লেখযোগ্য যে এই ফ'ৰ্ড কোম্পানীৰ প্ৰতিষ্ঠাতা আছিল হেনৰী ফ'ৰ্ড। হেনৰী ফ'ৰ্ড হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ এগৰাকী উদ্যোগপতি আৰু আগশাৰীৰ ব্যৱসায়ী। পৰৱৰ্তী সময়ত প্ৰযুক্তিবিদ্যাৰ দ্ৰুত প্ৰসাৰ আৰু চাহিদাৰ বাবে মটৰ গাড়ীৰ ব্যৱসায়ে এখন ভাল বজাৰ দখল কৰিছে। যাৰ ফলত বিএমডব্লিউ (BMW), হোণ্ডা (HONDA), অডি (AUDI), নিছান (NISSAN), মাচিডিজ-বেন্জ (MERCEDES-BENZ) আদি আগশাৰীৰ মটৰ কোম্পানীয়ে আধুনিক প্ৰযুক্তিযুক্ত, উন্নত মানৰ গাড়ী গ্ৰাহকৰ বাবে বজাৰত মুকলি কৰি দিবলৈ সক্ষম হৈছে। ❖

# আমুলৰ কাহিনী

■ হিমাদ্ৰী বৰা



'আমুল' নামটো শুনিলেই বগাত ফুটফুটীয়া ৰঙা ৰং বোলোৱা ফ্ৰক পিন্ধি থকা কণমানি ছোৱালীজনীলৈ মনত পৰে। 'আমুল গাৰ্ল' বুলি সমগ্ৰ দেশতে পৰিচিত এই ছোৱালীজনীয়ে বিশ্ববাসীৰ হৃদয় জিনি আহিছে। এই আমুল গাৰ্লেই বহুতকে 'আমুল'ৰ কাহিনী জানিবলৈ উদ্বুদ্ধ কৰে।

'আমুল' ভাৰতৰ সমবায়ভিত্তিক দুগ্ধ উৎপাদনকাৰী এক বৃহৎ উদ্যোগ। এই উদ্যোগটো গুজৰাট দুগ্ধ বিপণন সংস্থা আৰু ৰাজ্য চৰকাৰৰ মালিকাধীন দুগ্ধ আধাৰিত এক সমবায় সমিতি। প্ৰথম অৱস্থাত এই উদ্যোগটোৱে আনন্দ মিল্ক ফেডাৰেছন ইউনিয়ন লিমিটেড (Anand Milk Federation Union Limited) নামেৰে প্ৰতিষ্ঠা লাভ কৰিছিল। পৰৱৰ্তী সময়ত 'Anand Milk Union Limited' নামেৰে প্ৰতিষ্ঠা লাভ কৰে। এই সমবায়েই চমুকৈ আমুল (AMUL) নামেৰে জনাজাত হৈ পৰে।

১৯৪৬ চনত ত্ৰিভুৱনদাস কিশীভাই পেটেলে আমুল নামৰ এই বিপণন সংস্থাটো প্ৰতিষ্ঠা কৰিছিল আৰু ১৯৭০ চনলৈকে তেওঁ সংস্থাটোৰ অধ্যক্ষৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। সমবায় প্ৰতিষ্ঠানটোৰ কাৰিকৰী আৰু বিপণনৰ দিশটো অধিক শক্তিশালী কৰি তুলিবৰ বাবে ১৯৪৯ চনত ড° ভাৰ্গিজ কুৰিয়েনক (Verghese Kurien) জেনেৰেল মেনেজাৰৰ দায়িত্ব অৰ্পণ কৰিছিল। পৰৱৰ্তী সময়ত ত্ৰিভুৱনদাস কিশীভাই পেটেলৰ (Tribhuvandas Kishibhai Patel) মৃত্যুৰ পাছত ভাৰ্গিছ কুৰিয়েন আমুলৰ অধ্যক্ষ হয়।

১৯৪৬ চনত দুগ্ধ ব্যৱসায়ী আৰু এজেণ্টসকলে ক্ষুদ্ৰ ক্ষুদ্ৰ দুগ্ধ উৎপাদনকাৰীসকলৰ ওপৰত চলোৱা শোষণ আৰু অন্যায়ৰ প্ৰতিবাদৰ ফলতেই 'আমুল'ৰ দৰে দুগ্ধ উৎপাদনকাৰী সংস্থা এটাৰ জন্ম হ'ল বুলি ক'ব পাৰি। ১৯১৫ চনত জন্ম হোৱা প'লছন (Polson) দুগ্ধ উৎপাদনকাৰী সংস্থাৰ (গুজৰাট) কাৰ্য্যত ক্ষুদ্ৰ দুগ্ধ উৎপাদনকাৰীসকল হতাশ হৈ পৰে। সেই সময়ৰ গৃহমন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলৰ পৰামৰ্শক্ৰমে তেওঁলোকে এখন নতুন দুগ্ধ সমবায় সমিতি গঠন কৰে আৰু ক্ষুদ্ৰ দুগ্ধ উৎপাদনকাৰীসকলে 'প'লছন'ক গাখীৰ নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ পাছতে আমূলে KDCMPUL অৰ্থাৎ The Kaira District Co-Operative Milk Producer's Union Ltd.ৰ সহযোগত ১৯৪৮ চনত গাখীৰ পেষ্টুৰাইজ কৰা কাম আৰম্ভ কৰিছিল। তদুপৰি ৰাজ্য চৰকাৰে আমুলক গৰুৰ খাদ্য উৎপাদন কাৰখানা, ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন ব'ৰ্ড আদি নানা ধৰণৰ সংগঠন গঠনৰ দায়িত্ব অৰ্পণ কৰে। ক'বলৈ গ'লে ড° ভাৰ্গিজ কুৰিয়েন আৰু হৰিচান্দ মেঘা দালায়াৰ (ম'হৰ গাখীৰৰ প্ৰথম স্প্ৰে ড্ৰায়াৰৰ আৱিষ্কাৰক) প্ৰচেষ্টাত 'আমুল' দুগ্ধ উৎপাদন সমবায়ে বিশেষ কৃতকাৰ্য্যতা লাভ কৰিবলৈ সক্ষম হৈছিল। লাহে লাহে আমুলৰ বিপণন প্ৰক্ৰিয়া অধিক ঊৰ্দ্ধগামী হয় আৰু দুগ্ধ আৰু দুগ্ধজাত সামগ্ৰীসমূহে বিশ্বৰ বজাৰত অধিক চাহিদা লাভ কৰিবলৈ সক্ষম হয়।

১৯৭০ চনত আমুলে 'শ্বেত বিপ্লৱ' আৰম্ভ কৰি বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ দুগ্ধ উৎপাদনকাৰী দেশৰূপে ভাৰতক প্ৰতিষ্ঠা কৰিছিল। দুগ্ধৰ বজাৰখন আৰু অধিক সম্প্ৰসাৰিত কৰিবৰ বাবে ১৯৭৩ চনত আমূলে 'গুজৰাট কো-অপাৰেটিভ মিল্ক মাৰ্কেটিং ফেডাৰেছন' নামৰ এক বিপণন সংস্থা স্থাপন কৰে। এই সংস্থাৰ জৰিয়তে দুগ্ধ

আৰু দুগ্ধজাত সামগ্ৰীয়ে বিশ্বৰ বজাৰত চাহিদা লাভ কৰিবলৈ সক্ষম হয়। আমুলৰ এই বৃহৎ সফলতাৰ আঁৰৰ মূল ব্যক্তিজন আছিল ড° ভাৰ্গিজ কুৰিয়েন।

আমুলে প্ৰস্তুত কৰা আমুল বাটাৰেও বিশেষ জনপ্ৰিয়তা লাভ কৰে। ১৯৬৬ চনত আমুলে আমুল বাটাৰৰ বাবে বিজ্ঞাপন প্ৰচাৰ কৰিবলৈ এটা বিজ্ঞাপন সংস্থাৰ পৰিচালন সঞ্চালক চিলভেষ্টাৰ ডাকুনহাক নিযুক্ত কৰিছিল। এই বিজ্ঞাপন সংস্থাটোৱে সিদ্ধান্ত লৈছিল যে বগাত ৰঙা ৰঙৰ ফুট দিয়া ফ্ৰক পিন্ধা, নীলা চুলিৰ আধা পনি বান্ধি থোৱা এজনী ছোৱালীৰ ছবি দিয়া হ'ব। ছবিখন হাতেৰে অঁকা কাৰ্টুন ছবি। পৰৱৰ্তী সময়ত এই ছবিখন থকা বিজ্ঞাপনটোৱে দেশৰ বিখ্যাত বিজ্ঞাপনৰূপে খ্যাতি অৰ্জন কৰিছিল। ছবিখন স্কেছ কৰিছিল কলা নিৰ্দেশক ইউষ্টেছ ফাৰ্ণাণ্ডেজে। আমুল বাটাৰৰ প্ৰথম বিজ্ঞাপনটোত আটাৰলি বাটাৰলি ডেলিছিয়াছ (Utterly Butterly Delicious) এই টেগলাইনটো ব্যৱহাৰ কৰিছিল।




বিজ্ঞাপনটো ইমানেই জনপ্ৰিয় হৈ পৰিছিল যে সেই বিজ্ঞাপনটোত অংকিত ছোৱালীজনী আমুলৰ বাবে এক জনপ্ৰিয় শুভংকৰত পৰিণত হৈছিল। এই ছোৱালীজনীৰ স্কেছ থকা বিজ্ঞাপনটো একেৰাহে পাঁচটা দশক জনপ্ৰিয়তাৰ শীৰ্ষত আছিল। এই ছোৱালীজনী থকা বিজ্ঞাপনটোৱে আমুলক এনে এক পৰ্য্যায়লৈ লৈ গৈছিল যে পিছলৈ আমুলৰ সামগ্ৰীসমূহৰ বিষয়ে বিজ্ঞাপন প্ৰচাৰ কৰাৰ পৰিবৰ্তে সাম্প্ৰতিক ঘটনা একোটাক 'আমুল গাৰ্ল'ৰ সহায়ত প্ৰকাশ কৰা হৈছিল। ❖

প্ৰখ্যাত সাহিত্যিক

# ৰুদিয়াৰ্ড কিপলিং

**■ অলকা গোস্বামী**



১৯০৭ চনত যেতিয়া ৰুদিয়াৰ্ড কিপলিঙে (Rudyard Kipling) সাহিত্যৰ ন'বেল বঁটা পাইছিল বিশ্বৰ সাহিত্য জগতত একপ্ৰকাৰ চাঞ্চল্যৰ সৃষ্টি হৈছিল। কাৰণ, কিপলিঙৰ বয়স তেতিয়া হৈছিল মাত্ৰ ৪১ বছৰ। কিপলিং সেই সময়লৈকে সাহিত্যৰ ন'বেল বঁটা পোৱা আটাইতকৈ কম বয়সীয়া সাহিত্যিক আছিল। এই ইংৰাজ লেখকজনৰ এই অভিলেখ আজিলৈকে অক্ষত আছে। অৱশ্যে কম বয়সতে ন'বেল পালেও কিপলিং আছিল সেই সময়ৰ ইংলণ্ড তথা উপনিবেশবোৰত অতি জনপ্ৰিয় গীতিকাৰ আৰু গল্পকাৰ। ন'বেল বঁটা পোৱাৰ আগৰ বছৰটোলৈকে তেওঁ প্ৰকাশ কৰিছিল গল্প, কবিতা, উপন্যাস আদি মিলাই ৩০ খনতকৈও অধিক গ্ৰন্থ।

কিপলিঙৰ সম্পূৰ্ণ নাম জোছেফ ৰুদিয়াৰ্ড কিপলিং। তেওঁৰ জন্ম হৈছিল ভাৰতৰ মুম্বাইৰ ওচৰৰ পালঘৰ নামে ঠাইত ১৮৬৫ চনৰ ৩০ ডিচেম্বৰত। তেওঁৰ পিতৃ আছিল জন লকউদ কিপলিং। তেওঁ আছিল এজন শিল্পী আৰু শিল্পকলা বিশেষজ্ঞ আৰু এসময়ত তেওঁ লাহোৰ মিউজিয়ামৰ কিউৰেটৰ (curator) হৈছিলগৈ। তেওঁৰ মাকৰ নাম আছিল এলিছ মেকডোনাল্ড। সাংস্কৃতিক আৰু ৰাজনৈতিকভাৱে মাকৰ পৰিয়ালটো যথেষ্ট প্ৰভাৱশালী আছিল। কিপলিঙে মাকৰ

ফালৰ এই প্ৰভাৱ লেখক আৰু সাংবাদিক জীৱনত ভালদৰে ব্যৱহাৰ কৰিছিল। ছবছৰ বয়সত কিপলিঙক ভাৰতৰ পৰা নি ইংলণ্ডৰ ছাউথ চি অঞ্চলত থকা আশ্ৰয় গৃহত ৰখা হয়। কিপলিঙৰ মতে এই আশ্ৰয় গৃহত তেওঁ ভয়াবহ শৈশৱ কাল পাৰ কৰিছিল, যাৰ বৰ্ণনা তেওঁৰ এটা বিখ্যাত গল্প ‘বা বা ব্লেকছিপ’ত (Baa Baa, Black Sheep) পোৱা যায়। ইয়াৰ পাছত তেওঁক নামভৰ্তি কৰি দিয়া হয় নৰ্থ ডেগন অঞ্চলৰ ইউনাইটেড ছাৰ্ভিচেছ কলেজত। ইংলণ্ডৰ অতি ভিতৰুৱা অঞ্চলত অৱস্থিত এইখন এখন অতি সাধাৰণ, ঠেক ঘৰ-দুৱাৰেৰে নিৰ্মিত বোৰ্ডিং স্কুল আছিল। ইয়াত পঢ়াৰ কালছোৱা কিপলিঙৰ বাবে বৰ সুখকৰ নাছিল। তেওঁৰ এখন বিখ্যাত উপন্যাস ‘কিম’ত (Kim) এই সময়ছোৱাৰ আভাস পোৱা যায়।

১৮৮২ চনত কিপলিং ভাৰতলৈ ওভতে আৰু চিভিল এণ্ড মিলিটেৰি গেজেট (Civil and Military Gazette) নামৰ কাকত এখনত সাংবাদিক হিচাপে যোগ দিয়ে। এই কাকতখনৰ সাংবাদিক হিচাপে তেওঁ ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰে আৰু বৃটিছ সেনাৰ পক্ষ লৈ সাম্ৰাজ্যবাদী দৃষ্টিকোণেৰে অসংখ্য প্ৰতিবেদন যুগুত কৰে। এই সময়ছোৱাৰ অভিজ্ঞতাৰে তেওঁ ভালেমান গীত, কবিতা, গল্প আদি লিখি উলিয়ায়। তেওঁৰ এই গীত, কবিতা, গল্পবোৰে তেওঁক প্ৰভূত জনপ্ৰিয়তা দিয়ে, যি জনপ্ৰিয়তাক ইংৰাজ কবি টেনিছনে পোৱা জনপ্ৰিয়তাৰ সৈতে তুলনা কৰা হৈছিল। সেইকালত বহুতে কৌতুকৰ সুৰত কৈছিল যে ইংৰাজ কবি টেনিছনে তেওঁৰ জনপ্ৰিয়তাখিনি কিপলিঙক দান কৰি গৈছিল। উল্লেখ্য যে টেনিছনৰ মৃত্যুৰ বছৰটোতে ১৮৯২ চনত কিপলিং চিৰদিনৰ বাবে ইংলণ্ডলৈ গুচি গৈছিল যেন সন্মানিত আৰু জনপ্ৰিয় হ’বলৈকেহে।

কবি, চুটি গল্প লেখক, সাংবাদিক আৰু ঔপন্যাসিক হিচাপে কিপলিঙে বৃটিছ সাম্ৰাজ্যবাদক সদায় ইতিবাচক দৃষ্টিকোণেৰে বৰ্ণনা কৰিছিল। ঊনৈছ আৰু কুৰি শতিকাৰ সন্ধিক্ষণৰ দশককেইটাত তেওঁৰ জনপ্ৰিয়তাৰ কাৰণ আছিল এই দৃষ্টিভংগী। ১৮৯২ চনতে অৰ্থাৎ তেওঁ ইংলণ্ডলৈ প্ৰত্যাবৰ্তন কৰা বছৰটোতে কিপলিং বিবাহপাশত আবদ্ধ হয় কেৰোলিন বেলেষ্টিয়েৰ নামৰ এগৰাকী আমেৰিকান যুৱতীৰ সৈতে। বিবাহৰ পাছতে তেওঁ ঠিক কৰে কেৰোলিনৰ পৈতৃক গৃহত আমেৰিকাৰ ভাৰমণ্টত বসবাস কৰিবলৈ। চাৰি বছৰ পাছত ঘাইকৈ চুবুৰীয়াৰ আপত্তিৰ বাবে কিপলিং দম্পতীয়ে তেওঁলোকৰ দুই সন্তান জোছেফাইন আৰু এলজিক লৈ ইংলণ্ডলৈ উভতিবলৈ বাধ্য হয়। চুবুৰীয়াৰ আপত্তিৰ কাৰণ আছিল কিপলিঙৰ দৃষ্টিভংগী। তেওঁ আমেৰিকানসকলক সকলতকৈ নিম্ন শ্ৰেণীৰ বুলি ভাবিছিল আৰু সেই ধৰণে আচৰণো কৰিছিল। আমেৰিকাত থকা চাৰিটা বছৰতে তেওঁ লিখি উলিয়াইছিল পৰৱৰ্তী কালত জনপ্ৰিয় হৈ উঠা উপন্যাস ‘কেপ্টেইন কাৰেজিয়াছ আৰু দি জাংগল বুক্‌ছ’ (Captain Courageous and The Jungle Books)।

প্ৰথম বিশ্বযুদ্ধই কেৱল ইংলণ্ডৰেই নহয়, সমগ্ৰ পৃথিৱীৰে মানুহৰ জীৱন আৰু সমাজ সম্পৰ্কীয় দৃষ্টিভংগী সলনি কৰি পেলাইছিল। জীৱন আৰু সমাজেই সাহিত্যত প্ৰতিফলিত হয়। কিপলিঙৰ জীৱন দৰ্শন আৰু সাহিত্য দৰ্শন একে আছিল। ইয়াক তেওঁ সলনি কৰাৰ কথাও ভবা নাছিল। গতিকে প্ৰথম বিশ্বযুদ্ধৰ পৰিস্থিতিত কিপলিঙৰ সাহিত্য জনপ্ৰিয় হৈ নাথাকিল যদিও তেওঁ গল্প আৰু উপন্যাস লিখি থাকিল। তেওঁৰ সাহিত্যই আগৰ দৰে জনপ্ৰিয়তা অৰ্জন কৰি থাকিব নোৱাৰিলে। লণ্ডনৰ নিজৰ বাসভৱনত ১৯৩৬ চনৰ ১৮ জানুৱাৰীত কিপলিঙৰ মৃত্যু হয়। তেতিয়া তেওঁ এজন নিতান্তই সাধাৰণ লেখক।

কিপলিঙক লেখক বা ঔপন্যাসিক হিচাপে পুনৰ জনপ্ৰিয় কৰে এখন এনিমেছন চিনেমাই, সেইখনৰ নাম ‘The Jungle Book’। ১৯৬৭ চনত ডিজনী আৰ্টে তেওঁৰ একে নামৰ উপন্যাসখনৰ এনিমেছন চলচ্চিত্ৰৰ ৰূপ দিয়ে। এই এনিমেছন চলচ্চিত্ৰখনৰ হাতত ধৰিয়েই কিপলিঙৰ এচাম নতুন পঢ়ুৱৈ সৃষ্টি হয়। অৱশ্যে তেওঁৰ কিম নামৰ উপন্যাসখন এতিয়াও এখন সৰ্বকালৰ জনপ্ৰিয় উপন্যাস হৈ আছে। ❖

■ দীপাংকৰ কৌশিক

১। ১৯৯৫ চনৰপৰা ২০০২ চনলৈ পৰ্তুগালৰ প্ৰধানমন্ত্ৰী আছিল তেওঁ। ২০১৭ চনত তেওঁ ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান পদত অধিষ্ঠিত হয়। তেওঁ হৈছে এণ্ট'নিঅ' গুটেৰেছ। ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান পদত তেওঁ কাৰ স্থলাভিষিক্ত হৈছিল?

২। ভাৰত-পাকিস্তানৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰেখা হৈছে ৰেডক্লিফ লাইন। ভাৰত আৰু চীনৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰেখা হৈছে মেকমোহন লাইন। ডুৰাণ্ড লাইন কোন দুখন দেশৰ সীমাৰেখা?

৩। এইবিধ খেলত অভিলেখসংখ্যক আঠবাৰ বিশ্ব চেম্পিয়ন হৈছিল পাকিস্তানৰ জানছেৰ খান। বৃটিছ অ'পেন প্ৰতিযোগিতাও তেওঁ ছবাৰ জয়ী হৈছিল। ৫১৩ সপ্তাহ তেওঁ আছিল বিশ্ব ৰেংকিঙৰ শীৰ্ষ স্থানত। খেলবিধ কি বাৰু?

৪। 'বাজিৰাও মস্তানি'—২০১৫ চনৰ হিন্দী চলচ্চিত্ৰ। এইখন ছবিৰ 'মোহে ৰং দে লাল' গীতটোৰ বাবে কোনগৰাকী প্ৰসিদ্ধ ভাৰতীয়ই শ্ৰেষ্ঠ কৰিঅ'গ্ৰাফাৰৰ ফিল্মফেয়াৰ বঁটা লাভ কৰিছিল?

৫। ২০০১ আৰু ২০০২ চনত অসম সাহিত্য সভাৰ অধিৱেশনত সভাপতিত্ব কৰা প্ৰসিদ্ধ সাহিত্যিক-সাংবাদিক হোমেন বৰগোহাঞিয়ে ১৯৭৮ চনত কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

৬। ২০০৭ চনত শচীন আৰু বিন্নী বানছালে প্ৰতিষ্ঠা কৰা জনপ্ৰিয় ই-কমাৰ্চ কোম্পানীটোৰ মুখ্য কাৰ্য্যালয় বেংগালুৰুত অৱস্থিত। কোনটো কোম্পানী বাৰু?

৭। ১৯১৯ চনৰ ১১ এপ্ৰিলত প্ৰতিষ্ঠা হোৱা এই আন্তঃৰাষ্ট্ৰীয় সংস্থাটোৱে ১৯৬৯ চনত লাভ কৰিছিল শান্তিৰ ন'বেল বঁটা। সংস্থাটোৰ সদস্য ৰাষ্ট্ৰ সংখ্যা ১৮৭ । ছুইজাৰলেণ্ডৰ জেনেভাত মুখ্য কাৰ্য্যালয় থকা এই সংস্থাটো কি বাৰু?

৮। প্ৰথমগৰাকী আছিল জি ভি মাভালাংকাৰ। দ্বিতীয়গৰাকী এম এ আয়েংগাৰ । এই পদবীত অধিষ্ঠিত প্ৰথমগৰাকী মহিলা আছিল মীৰা কুমাৰ। কোনটো পদবী?

৯। বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ইতিহাসত হেটট্ৰিক অৰ্জন কৰা প্ৰথমজন বলাৰ আছিল ভাৰতীয়। নিউজিলেণ্ডৰ বিৰুদ্ধে তেওঁ এই কৃতিত্ব অৰ্জন কৰিছিল। কোন বাৰু তেওঁ?

১০। মেঘালয়ৰ চতুৰ্থগৰাকী মুখ্যমন্ত্ৰী পি এ চাংমাই ২০১৩ চনত প্ৰতিষ্ঠা কৰা দলটোৱে ২০১৯ চনৰ ৭ জুনত ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ মৰ্য্যাদা লাভ কৰে। এই মৰ্য্যাদা লাভ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো দল এইটো। কি বাৰু নামটো?

১১। পাৰ্ছী ভাষাত 'টাউন অব দ্য ছি' বুজোৱা শব্দৰ পৰা চহৰখনৰ নামটো আহিছে। ভাৰতৰ 'মিছাইল চিটী' নামেৰে পৰিচিত চহৰখনৰ নামটো ভগৱান বানেশ্বৰৰ (শিৱ) নামৰ পৰা অহা বুলিও জনা যায়। কোনখন চহৰ?

১২। চৈয়দ আব্দুল মালিকৰ 'প্ৰেম অমৃতৰ নদী' উপন্যাসখন মহাপুৰুষ মাধৱদেৱৰ জীৱনৰ আধাৰত ৰচনা কৰা হৈছিল। শ্ৰীমন্ত শংকৰদেৱৰ জীৱনৰ আধাৰত চৈয়দ আব্দুল মালিকে লিখা উপন্যাসখনৰ নাম কি?

১৩। পাম ডি অ'ৰ বা গ'ল্ডেন পাম—কোনখন আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ সৰ্বোচ্চ সন্মান?

১৪। গৱেষক, বিজ্ঞানী, অধ্যাপক কিশোৰী মোহন পাঠকৰ যোৱা ২০ জুনত দেহাৱসান ঘটে। অসমৰ কোনখন বিশ্ববিদ্যালয়ৰ তেওঁ প্ৰথমগৰাকী উপাচাৰ্য্য আছিল?

১৫। **চিত্ৰ সংকেত**
কোন বাৰু
এইগৰাকী
ভাৰতীয়
খেলুৱৈ? ❖



# ভাৰতীয় এনিমেছনৰ ক্ৰমবিকাশ

■ জহেব জামান
দশম শ্ৰেণী




১৯৪৮ চনটো ভাৰতীয় চলচ্চিত্ৰৰ বাবে এটা উল্লেখযোগ্য বছৰ। এই বৰ্ষতে 'ফিল্মছ্ ডিভিজন অব ইণ্ডিয়া' (Films Division of India) নামেৰে ভাৰতৰ প্ৰথমটো এনিমেছন ষ্টুডিঅ' প্ৰতিষ্ঠিত হয়। এই এনিমেছন ষ্টুডিঅ'টো ভাৰত চৰকাৰৰ তৰফৰ পৰা তথ্যচিত্ৰ আৰু বাৰ্তালোচনী প্ৰকাশৰ উদ্দেশ্যেৰে প্ৰতিষ্ঠা কৰা হৈছিল। এয়াই আছিল ভাৰতীয় এনিমেছনৰ আৰম্ভণি। ১৯৫৬ চনত ৱাল্ট ডিজনী ষ্টুডিঅ'ৰ (Walt Disney Studio) এগৰাকী এনিমেটৰ ক্লিয়াৰ ৰিক্ছক ভাৰতলৈ আমন্ত্ৰণ জনোৱা হৈছিল; ফিল্মছ্ ডিভিজন অব ইণ্ডিয়াৰ কৰ্মচাৰীসকলক এনিমেছনৰ প্ৰশিক্ষণ দিয়াৰ উদ্দেশ্যে। এনেদৰে ভাৰতীয়সকলে এনিমেছনৰ প্ৰশিক্ষণ লাভ কৰিলে আৰু ভাৰতীয় এনিমেছনৰ ক্ষেত্ৰখনলৈ আগমন ঘটিল প্ৰথমগৰাকী ভাৰতীয় এনিমেটৰ, ৰাম মোহনৰ। ৰাম মোহনেই ভাৰতৰ প্ৰথমখন এনিমেটেড চলচ্চিত্ৰ 'দ্য বান্যান ডিয়েৰ' (The Banyan Deer) নিৰ্মাণ কৰিছিল। এই চলচ্চিত্ৰখনে ১৯৫৭ চনত মুক্তি লাভ কৰিছিল। ৰাম মোহনক 'ভাৰতীয় এনিমেছনৰ পিতৃ' (The Father of Indian Animation) হিচাপে আখ্যা দিয়া হয়। ৰাম মোহনৰ নেতৃত্বত ভাৰতীয় এনিমেছনে প্ৰসাৰ লাভ কৰে আৰু ১৯৬০ৰ দশকত আৰম্ভণি হয় ভাৰতীয় এনিমেছন উদ্যোগৰ।

১৯৬০ চনৰ পৰা ২০০০ চনলৈ ভাৰতত কেইবাটাও এনিমেছন ষ্টুডিঅ' স্থাপন হয়। যেনে, যাদু ৱৰ্কছ (Jadoo Works Pvt. Ltd.), পেণ্টামিডিয়া গ্ৰাফিক্স (Pentamedia Grpahics), মায়া ডিজিটেল ষ্টুডিঅ'জ (Maya Digital Studios), টুন্জ এণ্টাৰটেইনমেণ্ট (Toonz Entertainment) ইত্যাদি। ১৯৬০ চনৰ পৰা ২০০০ চনলৈ—এই সময়ছোৱাত ভাৰতীয় এনিমেছনৰ বিশেষভাৱে বিকাশ সাধন হোৱা নাছিল আৰু এনিমেছনৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া নহৈছিল। এই সময়ছোৱাতেই 'বাপ ৰে বাপ' (১৯৬৮), 'ইউ ছেইড ইট' (You Said It, ১৯৭১), 'এক, অনেক ঔৰ একতা' (১৯৭৪), 'ফায়াৰ গেমছ' (১৯৮৩), 'তাৰু' (১৯৪৮), 'দীপা এণ্ড ৰূপা : এ ফেইৰী টেল ফ্ৰম ইণ্ডিয়া' (১৯৯০) ইত্যাদি এনিমেটেড চলচ্চিত্ৰসমূহ নিৰ্মিত হৈছিল।

১৯৮০ৰ দশকত ভাৰতীয় এনিমেছন ষ্টুডিঅ'সমূহে শিশুসকলৰ বাবে এনিমেটেড কাৰ্টুন ছিৰিজ নিৰ্মাণ কৰাৰ কথা চিন্তা কৰিছিল। ১৯৮৬ চনত নিৰ্মিত 'গায়ব আয়া' আছিল ভাৰতৰ প্ৰথমখন এনিমেটেড কাৰ্টুন ছিৰিজ। ইয়াৰ পাছত ক্ৰমে লোক গাথা (১৯৯১), মীনা (১৯৯৩), বৰ্তমান (১৯৯৪-১৯৯৫), এডভেঞ্চেছাৰছ অব ছোটা

বীৰবল (২০০৩-২০০৪), দ্য এডভেঞ্চাৰছ অব টেনালী ৰামা (২০০৩-২০০৪) ইত্যাদি এনিমেটেড ছিৰিজসমূহ নিৰ্মিত হয়।

২০০১ চনৰ কথা। এই সময়ছোৱাতেই ভাৰতৰ এটা ডাঙৰ এনিমেছন ষ্টুডিঅ', 'গ্ৰীন গ'ল্ড এনিমেছন প্ৰাইভেট লিমিটেড প্ৰতিষ্ঠিত হয়। এই এনিমেছন ষ্টুডিঅ'টিৰ প্ৰতিষ্ঠাপকগৰাকী হৈছে ৰাজীৱ ছিলাকা। গ্ৰীন গ'ল্ড এনিমেছন প্ৰাইভেট লিমিটেডৰ দ্বাৰা নিৰ্মিত 'ছোটা ভীম' শীৰ্ষক এনিমেটেড কাৰ্টুন ছিৰিজখনে ২০০৪ চনৰ ৬ এপ্ৰিল তাৰিখে পোনপ্ৰথমবাৰৰ বাবে দূৰদৰ্শনত মুক্তি লাভ কৰে। 'প'গ' টিভি' (Pogo TV) শীৰ্ষক দূৰদৰ্শন চেনেলত এই কাৰ্টুন ছিৰিজখন সম্প্ৰচাৰ কৰা হৈছিল। ২০০৪ চনৰ পৰা ২০১০ চনৰ মাজৰ সময়ছোৱাত 'ছোটা ভীম'-এ শিশুসকলৰ মাজত যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। এই 'ছোটা ভীম'-এ ভাৰতীয় এনিমেছনৰ ক্ষেত্ৰখনত এক নতুন বিপ্লৱৰ সৃষ্টি কৰিলে। ইয়াৰ পাছত এখনৰ পাছত আনখনকৈ কেইবাখনো ভাৰতীয় এনিমেটেড কাৰ্টুন ছিৰিজ দূৰদৰ্শন চেনেলসমূহত (যেনে, প'গ' টিভি, কাৰ্টুন নেটৱৰ্ক ইণ্ডিয়া, নিকল'ডিয়ান, ডিস্ক'ভাৰী কিড্‌ছ, ডিজনী চেনেল, হাংগামা টিভি আদি) সম্প্ৰচাৰিত হ'বলৈ আৰম্ভ কৰে আৰু এই কাৰ্টুন ছিৰিজসমূহে যথেষ্ট জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হয়। ২০০৪ চনৰ আগত ভাৰতীয় এনিমেটেড কাৰ্টুন ছিৰিজসমূহৰ ইমান বেছি জনপ্ৰিয়তা নাছিল। সেই সময়ত বিদেশী (প্ৰায়ভাগ আমেৰিকান, জাপানী আৰু ফৰাচী) এনিমেটেড কাৰ্টুন ছিৰিজসমূহ, যেনে—'ড'ৰেমন' (জাপান), 'শ্বিন্‌ছেন (জাপান), 'টম এণ্ড জেৰী' (আমেৰিকা যুক্তৰাষ্ট্ৰ), 'অ'গী এণ্ড দ্য ক'কৰ'চেছ (ফ্ৰান্স), 'নিঞ্জা হাট'ৰী' (জাপান), 'প'কেম'ন' (জাপান), 'বেইব্লেড' (জাপান) ইত্যাদিৰ হিন্দীলৈ ডাব কৰি সেই কাৰ্টুন ছিৰিজসমূহ এই দূৰদৰ্শন চেনেলসমূহত সম্প্ৰচাৰ কৰা হৈছিল আৰু এই বিদেশী এনিমেটেড কাৰ্টুন ছিৰিজসমূহৰ বহুত বেছি জনপ্ৰিয়তা আছিল। কিন্তু ভাৰতীয় এনিমেটেড কাৰ্টুন ছিৰিজ 'ছোটা ভীম'-এ আৰম্ভ কৰা বিপ্লৱৰ ফলত কেইবাখনো জনপ্ৰিয় ভাৰতীয় এনিমেটেড কাৰ্টুন ছিৰিজ যেনে, 'ম'টু-পাট্‌লু' (২০১২), 'ক্ৰিছ ৰ'ল নম্বৰ ২১' (২০১০), 'মন্দবোধ ঔৰ বুৰ্বক' (২০১৫), 'হানী-বানী কা ঝ'লমাল' (২০১৮), 'লিটিল ছিংঘম' (২০১৮), 'ফুকৰে বয়জ' (২০১৯), 'কিম'ন আছে' (২০১১), 'পকড়ম পকড়াই' (২০১৩) আদিৰ নিৰ্মাণ তথা সম্প্ৰচাৰ হয়। সেই সময়ছোৱাতে দূৰদৰ্শন চেনেলসমূহত সম্প্ৰচাৰিত ভাৰতীয় এনিমেটেড কাৰ্টুন ছিৰিজসমূহ অতি বেছি জনপ্ৰিয় হোৱাৰ বিপৰীতে বিদেশী কাৰ্টুন ছিৰিজসমূহৰ দৰ্শকৰ সংখ্যা হ্ৰাস পাইছিল। আকৌ ২০২০ চনমানৰ পৰা সামাজিক মাধ্যমৰ জৰিয়তে সম্প্ৰচাৰিত ভাৰতীয় এনিমেছনে যথেষ্ট জনপ্ৰিয়তা লাভ কৰিবলৈ আৰম্ভ কৰে। বিশেষকৈ এনিমেটেড 'ষ্ট'ৰী-টাইম' (Story time) ভিডিঅ'সমূহ যথেষ্ট জনপ্ৰিয় হৈ পৰে। 'কীৰ্তি চৌ' (Kirti Chow), 'এংৰী প্ৰছ' (Angry Prash), 'পাফ টকছ (Puff talks), 'আৰজি বাকেট লিষ্ট' (R.G. Bucket list) ইত্যাদি হৈছে এনে এনিমেটেড ষ্ট'ৰী-টাইম ভিডিঅ' প্ৰস্তুত আৰু সম্প্ৰচাৰ কৰা কেইটিমান ইউটিউব চেনেল। এই ইউটিউব চেনেলসমূহে ভাৰতীয় এনিমেছনক এক নতুন গতি প্ৰদান কৰে। বিশেষকৈ ৰোহিত গগৈ নামৰ এগৰাকী এনিমেটৰৰ 'আৰজি বাকেট লিষ্ট' শীৰ্ষক ইউটিউব চেনেলটিয়ে প্ৰস্তুত আৰু সম্প্ৰচাৰ কৰা এনিমেটেড ভিডিঅ'সমূহত অতি উন্নতমানৰ এনিমেছনৰ প্ৰয়োগ কৰা হৈছে।

এনেদৰে ভাৰতীয় এনিমেছনে ১৯৪০-৫০ৰ সময়ছোৱাতে আত্মপ্ৰকাশ কৰি একবিংশ শতিকাৰ প্ৰথম দশকত দূৰদৰ্শনৰ জৰিয়তে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হয়। ২০২০ চন মানৰ পৰা ভাৰতীয় এনিমেছনে দূৰদৰ্শনৰ উপৰি সামাজিক মাধ্যমতো প্ৰসাৰ লাভ কৰি জনপ্ৰিয় হৈ উঠে। ❖

# The mystery of Subhas Chandra Bose's death

■ **Jyotirmoy Das**
Class IX



It was 1945 when the world received some shocking news. The news was the death of Subhas Chandra Bose. The official reason for his death was plane crash. But the surprising thing was when the world media reached the hospital, where Netaji breathed his last, to make a ground zero report, none of those media houses got any permission for this. They did not even get a single photo of Netaji.The most suspicious thing is Netaji was a huge global icon who used to talk to global leaders from Japan, Germany, Russia and discuss strategies for Indian Independence. But this global leader did not have a death certificate. The death certificate was for a Japanese soldier– Ichiro Okura. Then what happened to Netaji? Why was his family and home spied on for 20 years after his death ?

In 1949, two years after India got its independence Pandit Jawaharlal Nehru appointed Pratul Chandra Gupta to solve this mystery. Guptaji had one goal to research on the Indian National Army and their contribution to the Indian freedom struggle. After 3 years, a 490 pages manuscript was prepared. But this manuscript was not even published. But why? We will probably never know the answer to this question. But we can get some theories. Many people believed that Netaji was alive in Russia till 1985. Pandit Nehru's sister Vijaylakshmi Pandit was an Indian ambassador to the Soviet Union. One of the stories around her visits to Russia goes like this. Locals say, in a public meeting she started narrating an incident. She said, "I came across a great person in Russia, it would electrify India and the happiness would be greater than what people had experienced on 15 August 1947." But before she could complete, Pandit Nehru stopped her. Why didn't he let her complete? Who was that person? That is a question.

In 1955 and 1970 there has been two investigations in India. But both commissions concluded on similar lines that Netaji had died in a plane crash in Taiwan. On the other hand, the 1999 Mukherjee Commission reported that it was impossible that Subhas

Chandra Bose had died in a plane crash. The one ground investigation revealed that there was no record of a plane crash in Taiwan in the year 1945. Then how there were ashes of Subhas Chandra Bose at Tokyo's Renko-ji temple. This mystery can be solved by doing DNA testing on that ashes. That can be proved if Netaji returned to India or not. But nobody knows the truth. When the central government declassified several files which contained secret information about Netaji but these files are also incomplete and destroyed. But who did these? How can 20,000 Britishers ruled over 3 crores Indians? This sounds impossible. The truth is, the British had feared an Indian uprising since 1857. A British General said, "If each brown man were to take a handful of sand and throw it on us, we should be buried alive." Netaji had identified this fear that the British had. If Netaji was alive and he was in India, perhaps he would have been India's Prime Minister because of this. He had many enemies outside and inside India. Some people believe that Netaji was killed by other leaders of India at that time. He was prepared to lead India forward. He had thought of India's economic policies, plans for industrialization, and a vision for India. He was prepared for that. If he were alive, India perhaps would be developed many years ahead. But we forgot him because of fake history and stories which we read in our books. Netaji was the real freedom fighter. ❖

# তোমালোকৰ বাবে প্ৰশ্ন, জুলাই, ২০২৩

১। প্ৰশ্নটো অসম বুৰঞ্জীৰ। 'বিবুধি গড়' কোনে আৰু কিয় সজাইছিল?

২। সান্ধ্যস্বৰ—কোনগৰাকী প্ৰসিদ্ধ অসমীয়া সাহিত্যিকৰ একমাত্ৰ কবিতা পুথি?

৩। বাৰ্থা ভন ছাটনাৰ—কি বিষয়ত ন'বেল বঁটা লাভ কৰা প্ৰথমগৰাকী মহিলা?

৪। Foil, Epee, Sabre—এই তিনিটা টাৰ্ম কোনবিধ খেলৰ সৈতে জড়িত?

৫। দ্য ৰ'ড এহেড—১৯৯৫ চনত প্ৰকাশিত এই গ্ৰন্থখন কোনজন বিখ্যাত উদ্যোগপতিয়ে লিখিছিল? ❖

# কুইজৰ উত্তৰসমূহ

১। বেন কী মুন ২। পাকিস্তান-আফগানিস্তান ৩। স্কোৱাচ ৪। পণ্ডিত বীৰজু মহাৰাজ ৫। পিতা পুত্ৰ ৬। ফ্লিপকাৰ্ট ৭। আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংগঠন (ILO) ৮। ভাৰতৰ লোকসভাৰ অধ্যক্ষ ৯। চেতন শৰ্মা ১০। নেচনেল পিপলছ পাৰ্টী ১১। বালাছোৰ (ওড়িশা) ১২। ধন্য নৰতনু ভাল ১৩। কাঁ চলচ্চিত্ৰ মহোৎসৱ ১৪। তেজপুৰ বিশ্ববিদ্যালয় ১৫। চি এ ভবানী দেৱী (ফেন্সিং) ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (জুন)

১। শুভমন গীল। ২। A few remarks on Assamese Language—আনন্দৰাম ঢেকিয়াল ফুকন। ৩। পৰাগ দাস সাংবাদিকতা বঁটা। ৪। গোপালদেৱ। ৫। ভৰিৰ জোতাৰ জোখ। ❖

## আমাৰ ভণ্টি

■ **গৰিমা বৰ্মন**
চতুৰ্থ শ্ৰেণী

আমাৰ এজনী ভণ্টি আছে
নাম তাইৰ হৰ্ষিতা।
তাইৰ সৈতে খেলিলে
হাঁহি মাৰে বৰ ধুনীয়া।
মই পঢ়া সময়ত কৰে খেলি-মেলি,
ছাৰ-বাইদেৰে দিয়া কামবোৰ হৈ যায় দেৰি
তৃতীয় শ্ৰেণীত খেলি-মেলিতে গ'ল
এইবাৰ তাই অকণমান বুজা হ'ল। ❖

## চৰাই

■ **ৰাজদীপ গোস্বামী**
ষষ্ঠ শ্ৰেণী

অ' সৰু চৰাই অ' সৰু চৰাই
ক'ত তোমাৰ ঘৰ?
আমাক দেখিলে তুমি
ভিৰাই মাৰা লৰ।
মুক্তমনে আকাশত উৰি
ভালপোৱা তুমি
যিমান পাৰা ওপৰলৈ তুমি
গুচি যোৱা উৰি।
ডালে ডালে পৰি তুমি
গীত গাই ফুৰা,
সেই গীতৰ সুমধুৰ সুৰত
আমি হওঁ আত্মহাৰা।
তোমাৰ কণ্ঠধ্বনিত
আমি পাহৰি যাওঁ
আমাৰ সমস্ত
দুখ-যন্ত্ৰণা। ❖

## সপোন

■ **অৰ্ণৱ জ্যোতি নাথ**
অষ্টম শ্ৰেণী

এখন অচিন জগতৰ মাজত
মই সোমাই গ'লোঁ।
সেউজীয়া পৰিবেশৰ মাজত
নিজৰাৰ পানীৰ সেই দৃশ্যত
মই মুগ্ধ হৈ পৰিলোঁ।
আচৰিত হৈ মই ৰৈ গ'লোঁ
চাৰিওফালে চাই মই ক্ষন্তেক ভাবিলোঁ
ভাবৰ মাজত মই চকু মুদিলোঁ।
মলয়া বতাহৰ সুবাসত
মই পুনৰ শুই পৰিলোঁ।
চকু মেলি নিজকে মই
যান্ত্ৰিকতাৰ মাজত
বিচাৰি পালোঁ। ❖

## কুকুহা

■ **ধৃ-বৰ্ণা বৰগোহাঞি**
দশম শ্ৰেণী

পাৰিবি জানো?
যন্ত্ৰণাৰ কুকুহাৰ পৰা
নতুন প্ৰত্যুষ আনি দিবলৈ,
ছাই হৈ ৰোৱা সেই সময়বোৰ
ঘূৰাই দিবলৈ !
পৰাগ খহাই যন্ত্ৰণাৰ
কুকুহা উৰি গ'লে
ছটফটাই উঠা অনুনয়ো মিথ্যা।
পাৰিবিনে আকৌ?
লগে লগে খোজ মিলাই
মোৰ হৃদয় নচুৱাবলৈ
শেষত কিন্তু নক'বি
'হিমালয় তই হাৰি গ'লি !" ❖

# ৰশ্মি নাৰ্জাৰী

■ নিষ্ঠা বৰগোহাঁই
ষষ্ঠ শ্ৰেণী



ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ইংৰাজী ভাষাৰ স্বশৈলীৰ লিখনীৰে উজলি থকা সাম্প্ৰতিক সময়ৰ এগৰাকী বিশিষ্ট লেখিকা হৈছে ৰশ্মি নাৰ্জাৰী। অসমৰ বড়ো জনগোষ্ঠীৰ এইগৰাকী লেখিকাই স্কুলীয়া শিক্ষা শ্বিলঙৰ পাইন মাউণ্ট স্কুলত সম্পন্ন কৰি গুৱাহাটীৰ কটন মহাবিদ্যালয়ৰ পৰা (বৰ্তমান বিশ্ববিদ্যালয়) অৰ্থনীতি বিভাগত স্নাতক ডিগ্ৰী লাভ কৰে। তেওঁ চিমবায়'ছিছৰ পৰা 'হিউমেন ৰিছাৰ্চ মেনেজমেণ্ট' বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

লেখিকা হিচাপে ৰশ্মি নাৰ্জাৰীৰ প্ৰথম আত্মপ্ৰকাশ ঘটে 'ব্লাডষ্ট'ন-লিজেণ্ড অব দ্যা লাষ্ট এনগ্ৰেভিং' (Bloodstone-Legend Of The Last Engraving) গ্ৰন্থখনৰ যোগেদি। সামাজিক আৰু শৈক্ষিক গৱেষণাৰ সমল সম্বলিত এই কিতাপখনে পাঠকৰ মাজত সমাদৰ লাভ কৰে। তেওঁৰ আন উল্লেখযোগ্য সৃষ্টিৰাজিৰ ভিতৰত মানৱীয় সম্পৰ্ক আৰু আৱেগক বিষয়বস্তু হিচাপে লৈ ৰচনা কৰা গল্প সংকলন 'Mosaic, 'Colours of Life' আৰু জীৱনৰ নানাৰঙী অভিজ্ঞতাৰ কাহিনী সম্বলিত 'Looking Beyond' লেখত ল'বলগীয়া। ৰশ্মি নাৰ্জাৰীৰ জীৱনৰ অন্যতম স্বীকৃতি হ'ল ২০১৬ চনত লাভ কৰা সাহিত্য অকাডেমি বঁটা (শিশু-সাহিত্য শিতানৰ বাবে)। তেওঁক শিশু উপন্যাস 'His Share Of Sky'ৰ বাবে এই সন্মান প্ৰদান কৰা হয়।

ড° ভবেন্দ্ৰনাথ শইকীয়াৰ বহুতো কালজয়ী গল্প ৰশ্মি নাৰ্জাৰীৰ কলমত ইংৰাজী ভাষালৈ অনূদিত হৈছে। অনলাইন মাধ্যমতো সক্ৰিয়ভাৱে কাম কৰি অহা ৰশ্মি নাৰ্জাৰীয়ে গল্প, উপন্যাসৰ লগতে 'The Sentinel' আৰু 'The Assam Tribune' আদি কাকতৰ এগৰাকী নিয়মিত নিবন্ধকাৰ হিচাপে পাঠক-সমাজত সমাদৰ লাভ কৰিছে। ৰশ্মি নাৰ্জাৰীৰ গ্ৰন্থ তথা লেখাসমূহ ভাৰতৰ আন ভাষাসমূহৰ লগতে কেইবাটাও বিদেশী ভাষালৈ অনূদিত হৈছে আৰু নিৰ্বাচিত কিছুমান লেখা বিভিন্ন বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হৈছে।

ইংৰাজী ভাষাত সাহিত্য চৰ্চাৰে এক সুকীয়া পৰিচয় গঢ়ি তোলা ৰশ্মি নাৰ্জাৰীয়ে অসমক আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত উজলাই গৌৰৱান্বিত কৰিছে। ❖

## চুড'কুৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীসকল (জুন, ২০২৩)

পূবাঞ্চী দাস (পঞ্চম ঘ), ৰক্তিম ডেকা (সপ্তম ক), পাৰ্থ প্ৰতিম পাঠক (নৱম ঘ), তেজস্বীন মিশ্ৰ (পঞ্চম ঘ), ৰেহান আলী (নৱম ঘ), কুন্দন সিং (অষ্টম ক), সুপ্ৰতীক সঞ্জীৱ ডেকা (পঞ্চম ক), নমিতা হালৈ (অষ্টম গ), অনৰণ্যা গোস্বামী(সপ্তম ঘ), তনুস্মিতা চৌধুৰী (সপ্তম ঘ), পল্লৱ কলিতা (সপ্তম ঘ), বিজভান কাশ্যপ (ষষ্ঠ ক), অধৃত দৈৱিক বৈশ্য সাউদ (সপ্তম ঘ), দোকমোকালি গোস্বামী (চতুৰ্থ গ)। ❖

# সময়ৰ সদ্ব্যৱহাৰ

■ গাৰ্গী তালুকদাৰ
ষষ্ঠ শ্ৰেণী




"সময় অমূল্য ধন।"—এই কথাষাৰ আমি সকলোৱে শুনি আহিছোঁ। কিন্তু আমি কেতিয়াবা ভাবিছোঁনে সময়ৰ মূল্য কিমান? সময়ক আমি জুখিব পাৰিমনে? নিশ্চয় সময়ৰ মূল্যক আন কোনো মূল্যৰে জুখিব নোৱাৰি। সময় বোৱঁতী নৈৰ পানীৰ দৰেই কেতিয়াও কাৰো বাবে ৰৈ নাথাকে। কিন্তু সময়ৰ মূল্যক আমি কৰ্মৰ দ্বাৰা জুখিব পাৰোঁ আৰু ই তেতিয়াহে সম্ভৱ হৈ উঠিব যেতিয়া আমি সময়ৰ সদ্ব্যৱহাৰ কৰিম। সময়ৰ সদ্ব্যৱহাৰ বুলিলে সঠিক সময়ত সঠিক কাম সম্পন্ন কৰাকে বুজোঁ। সময়ৰ সদ্ব্যৱহাৰক লৈ অতীতৰ পৰা বহু চৰ্চা হৈ আছে আৰু আজিও বিভিন্ন মহলত ইয়াৰ চৰ্চা হৈ আছে।

'Time is money'—এই কথাষাৰ সৰ্বকালৰ বিখ্যাত বিজ্ঞানী, অৰ্থনীতিবিদ তথা লেখক বেঞ্জামিন ফ্ৰেংকলিনে ১৭৪৮ চনত 'Advice to a Young Fradesman' নামৰ ৰচনা এখনত লিখিছিল। তেওঁৰ এই কথাষাৰ আজিও বিশ্বজুৰি ব্যাপী আছে আৰু বিশ্ব অৰ্থনীতিত আজিও ইয়াৰ প্ৰভাৱ আছে। সেয়েহে দেখা যায় এজন সফল ব্যক্তিয়ে সকলো সময়তে সময়ৰ সদ্ব্যৱহাৰ কৰে। কিন্তু আমাৰ প্ৰশ্ন হ'ল—সময় মানে টকা নেকি? নাইবা টকা দি সময় কিনিব পাৰিম নেকি? উত্তৰ হ'ব—নিশ্চয় নোৱাৰোঁ। তেনেহ'লে এজন বিখ্যাত অৰ্থনীতিবিদে কিয় কৈছিল—'Time is Money.' ইয়াৰ উত্তৰ বৰ্তমানৰ এজন অৰ্থনীতিবিদে যিমান শুদ্ধ আৰু সহজভাৱে ক'ব পাৰিব, আমি তেনেকৈ ক'ব নোৱাৰিলেও আমি ইয়াৰ উত্তৰ বিচাৰিবলৈ প্ৰয়াস কৰিম। বিশ্বৰ আটাইতকৈ প্ৰভাৱশালী অভিধান 'Oxford Dictionary'ত 'Time is money'ক কোৱা হৈছে—"Time is valuable resource, therefore it's better to do things as quickly as possible." মানে "সময় মূল্যবান সম্পদ, সেয়ে যিমান সোনকালে সম্ভৱ কাম সম্পন্ন কৰাই শ্ৰেষ্ঠ।" আমি এনেকৈ বুজিব পাৰোঁ যে—আমি সময়ৰ সদ্ব্যৱহাৰ কৰি টকা উপাৰ্জন কৰিব পাৰোঁ। কিন্তু টকাৰে সময়ক কিনিব নোৱাৰোঁ। টকা-পইছাৰ অভাৱ হ'লে আপুনি কাৰো পৰা ধাৰ ল'ব পাৰে। হেৰাই গ'লে বা চুৰ হৈ গ'লে পুলিচৰ সহায়ত পুনৰ ঘূৰাই পাব পাৰোঁ। অপচয় হ'লে পৰিশ্ৰম কৰি আকৌ তাক উপাৰ্জন কৰি ল'ব পাৰি। কিন্তু সময়ৰ ক্ষেত্ৰত ই সম্ভৱ নহয়। সময় এবাৰ গুচি গ'লে তাক ফিৰাই পাব নোৱাৰি। সময় বস্তুটো বহুত মূল্যবান। সময় পইচাতকৈও বেছি মূল্যবান। ❖


## কৰতোৱা নৈ

কৰতোৱা প্ৰাচীন অসমৰ এখন উল্লেখযোগ্য নদী। ছিকিমৰ পাৰ্বত্য অংশৰ পৰা উৎপত্তি হোৱা এই নদী পশ্চিমবংগৰ জলপাইগুৰি জিলাৰ মাজেদি বৈ গৈ বাংলাদেশত প্ৰবেশ কৰি দেশখনৰ দক্ষিণ-পূব দিশে প্ৰবাহিত হৈ অৱশেষত যমুনা নৈৰ লগত মিলিছে। ঘোঁৰামাৰা, ছাহু, চাউকি কৰোতাৰাৰ উপনদী। বৰ্তমান এই নৈ তিষ্টা নামেৰে পৰিচিত। ❖

## Did You Know

# The Zombie Bug

■ **Binoy Bikash Gogoi**



We have seen several Hollywood movies where zombies attack and take over the world. To our relief, however, these zombies are just a creation of the human imagination. But, what will you do if you see a zombie in real life?


Scientists have found some real zombies in nature. We all know that nature never ceases to amaze us. Every now and then we see several strange and extraordinary things in nature that leave us amazed. The zombie bug is such a creature, an insect to be precise, which will leave you awestruck. These insects are called zombie cicadas. They are infected by a gruesome parasitic fungus called Massospora, which contains chemicals such as those found in hallucinogenic mushrooms. This strange fungus eats away the inside of the cicadas and grows inside the abdomen of the insect. Strange enough, this deadly parasitic fungus can turn its host insect into zombies and make them do everything it wants. The insect, infected by this fungus is neither alive nor dead. This fungus works as a mind-controlling agent in insects. Once an insect is infected, the fungus, with the help of the host insect infects more insects to survive and grow. Once the fungus takes over the body of a particular cicada, the cicada loses its limbs, and parts of its body are eaten away by the fungus making it look scary. This fungus is harmless to humans. But zombie cicadas are a real threat to other cicadas. After being infected, the cicadas are instructed by the fungus and hence they fly around and continue to infect the other cicadas.

Not only cicadas, but certain species of beetles also fall victim to this deadly fungus. Just like the cicadas these beetles also fly to other beetles, following the instructions of the fungus, and keep on infecting other beetles and helping the fungus to grow. This is really interesting and scary at the same time, isn't it? Who knows, may be after a few decades we will get to see human zombies also. Nature is unpredictable anyways. ❖

# Great Expectations

■ **Bhaktimala Saikia**

*(Continued from June Issue, 2023)*




After the incident, some time passes. Pip learns reading and writing at Mrs. Wopsle's school. At school, he befriends Biddy, the granddaughter of the teacher. One day, Joe and Pip sit talking, suddenly, Mrs. Joe bursts in with Pumblechook. Highly self-satisfied, they reveal that Pumblechook has arranged for Pip to go play at the house of Miss Havisham, a rich spinster who lives nearby.

So, he is taken to Miss Havisham's manor Satis House. Miss Havisham is extremely strange, she wears an old wedding dress everywhere she goes and keeps all the clocks in her house stopped at the same time. During his visit, he meets a beautiful young girl named Estella. She treats Pip rudely and insults him for his low social status.. Nevertheless, he falls in love with her and dreams of becoming a wealthy gentleman so that he might be worthy of her. He even hopes that Miss Havisham intends to make him a gentleman and marry him to Estella, but his hopes are ended in smoke when, after months of regular visits to Satis House, Miss Havisham decides to help him become a common labourer in her family's business.

Pip works in the forge unhappily, struggling to better his education with the help of Biddy. While working in the forge he encounters Joe's malicious day labourer, Orlick. One night, after an argument with Orlick, Pip's sister, Mrs. Joe, is attacked and becomes a mute and invalid. From her signals, Pip suspects that Orlick was responsible for the attack.

Time passes by. One day a lawyer named Jaggers appears with strange news. A secret benefactor has given Pip a large fortune, and Pip must come to London immediately to begin his education as a gentleman. Pip happily assumes that his previous hopes have come true—that Miss Havisham is his secret benefactor and that the old woman intends for him to marry Estella. ❖ *Contd...*

# স্মৰণীয় সময়, স্মৰণীয় ঘটনা

## (ভাৰতৰ স্বাধীনতাৰ ৭৫টা বছৰত)

■ অপৰ্ণা দেৱী

*(যোৱা সংখ্যাৰ পাছৰ পৰা)*

### নতুন ৰাজ্যৰ গঠন

স্বাধীনোত্তৰ কালৰ এক উল্লেখযোগ্য ঘটনা হ'ল নতুন ৰাজ্য গঠন। ২০০০ চনৰ নৱেম্বৰ মাহত এখন দুখন নহয়, একেবাৰে তিনিখনকৈ নতুন ৰাজ্য গঠন হয়। সেই ৰাজ্যসমূহ হ'ল—চত্তিছগড়, উত্তৰাখণ্ড আৰু ঝাৰখণ্ড। ২০১৪ চনৰ জুন মাহৰ ২ তাৰিখে তেলেংগনা ৰাজ্য গঠিত হয়। তেলেংগানা ৰাজ্য গঠন হোৱাৰ লগে লগে আমাৰ দেশৰ ৰাজ্যৰ সংখ্যা ২৯ খন হয়গৈ। ২০২০ চনত জম্মু আৰু কাশ্মীৰ ৰাজ্য কেন্দ্ৰীয়শাসিত অঞ্চললৈ পৰ্য্যবসিত হয়। গতিকে বৰ্তমান ভাৰতৰ ৰাজ্যৰ সংখ্যা ২৮ খন আৰু কেন্দ্ৰীয় শাসিত অঞ্চল ৮ খন। বৰ্তমান জম্মু আৰু কাশ্মীৰ দ্বিখণ্ডিত হৈছে। দ্বিখণ্ডিত কেন্দ্ৰীয়শাসিত অঞ্চলৰ এখন হ'ল জম্মু আৰু কাশ্মীৰ আৰু আনখন হ'ল লাডাখ।

### ভাৰত আৰু ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদ

ৰাষ্ট্ৰসংঘ হৈছে বিশ্বৰ এটা অন্যতম গুৰুত্বপূৰ্ণ আন্তৰ্জাতিক বা আন্তঃৰাষ্ট্ৰীয় সংস্থা। ৰাষ্ট্ৰসংঘৰ এটা গুৰুত্বপূৰ্ণ অংগ হ'ল নিৰাপত্তা পৰিষদ (Security Council)। নিৰাপত্তা পৰিষদে আন্তৰ্জাতিক শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ দায়িত্ব পালন কৰে। ভাৰতবৰ্ষ ৰাষ্ট্ৰসংঘৰ প্ৰতিষ্ঠাপক সদস্য ৰাষ্ট্ৰসমূহৰ ভিতৰত এখন অন্যতম সদস্য ৰাষ্ট্ৰ। ভাৰতবৰ্ষই অষ্টমবাৰৰ বাবে নিৰাপত্তা পৰিষদৰ সদস্য ৰাষ্ট্ৰ হিচাপে নিৰ্বাচিত হৈছে। অষ্টম কাৰ্য্যকালৰ বাবে নিৰ্বাচিত হোৱাত সৰ্বমুঠ ১৬ বছৰৰ বাবে নিৰাপত্তা পৰিষদৰ সৈতে সংলগ্ন হৈ থকাৰ সুযোগ পাইছে। কিন্তু ভাৰতবৰ্ষ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য নহয়।

### গোলকীয় সংগঠন—ভাৰতবৰ্ষ

ভাৰতবৰ্ষ বহুতো আন্তৰ্জাতিক সন্ধি, চুক্তি আদিৰ অংশ হৈছে। সেই সন্ধি, চুক্তিৰ লগত জড়িত থকা সংগঠনসমূহে সন্ত্ৰাসবাদ নিৰ্মূল কৰা, ব্যৱসায় বাণিজ্যৰ প্ৰসাৰ ঘটোৱা আদি কাৰ্য্যত একেলগে হৈ আগ বাঢ়ি যোৱাৰ চেষ্টা কৰে। উদাহৰণস্বৰূপে, এতিয়া জি-২০ৰ প্ৰসংগ উল্লেখ কৰিব পাৰি। জি-২০ৰ উদ্দেশ্য হ'ল উন্নয়নশীল আৰু উন্নত দেশসমূহ একত্ৰিত হৈ বিশ্ব অৰ্থনীতিৰ মূল বিষয়সমূহ আলোচনা কৰা। ২০২২ চনৰ ১ ডিচেম্বৰৰ পৰা ২০২৩ চনৰ ৩০ নৱেম্বৰলৈ ভাৰতে জি-২০ৰ অধ্যক্ষতা (presidency) কৰিব।

ভাৰত ব্ৰিক্‌ছ (BRICS) নামৰ আন এটা সংগঠনৰ সৈতেও জড়িত। পোনপ্ৰথমে সেই সংগঠনটোত ব্ৰাজিল, ৰাছিয়া, ভাৰত আৰু চীন দেশ আছিল। পৰৱৰ্তী সময়ত দক্ষিণ আফ্ৰিকা ব্ৰিক্‌ছত অন্তৰ্ভুক্ত হয়। পাঁচখন বৃহৎ অৰ্থনীতিৰ এক সন্ধি বা চুক্তি হৈছে ব্ৰিক্‌ছ।

প্ৰতিৰক্ষামূলক এটা আন্তঃৰাষ্ট্ৰীয় সংগঠন হৈছে Quadrilateral Security dialogue। চমুকৈ ইয়াক কোৱাড (QUAD) বুলি কোৱা হয়। ভাৰত, অষ্ট্ৰেলিয়া, জাপান আৰু আমেৰিকা এই সংগঠনৰ সদস্য।

### গ'ল্ডেন কোৱাড্ৰিলেটাৰেল প্ৰকল্প (Golden Quadrilateral Project)

ভাৰতৰ 'গ'ল্ডেন কোৱাড্ৰিলেটাৰেল' প্ৰকল্প ৰাষ্ট্ৰীয় ঘাইপথৰ লগত জড়িত। দিল্লী, মুম্বাই, চেন্নাই, কলকাতা সংযোগী পথ এই প্ৰকল্পৰ সৈতে জড়িত। ২০০১ চনত গ'ল্ডেন কোৱাড্ৰিলেটাৰেল প্ৰকল্প আৰম্ভ হৈছিল। এই পথ তথা এক্সপ্ৰেছ হাইৱেই অকলে ভাৰতৰ ৬০০০ কিমি. পথ আগুৰি আছে। এই প্ৰকল্পটো ২০০১ চনত আৰম্ভ হৈছিল যদিও ১২ বছৰ পাছতহে ই সম্পূৰ্ণ হয়। চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ গ'ল্ডেন কোৱাড্ৰিলেটাৰেলৰ এটা অংশ। ❖

# নির্জলায়ন

■ কল্যাণী পাটগিৰি

আজিৰ পৃথিৱীত নির্জলায়ন (dehydration) এটা সঘনাই শুনি থকা শব্দ। এই নির্জলায়ন মানেনো কি? এজন প্রাপ্তবয়স্ক মানুহৰ শৰীৰত শৰীৰৰ ওজনৰ ৬০% পানী থাকে, যাক আমি ব'ডী ৱাটাৰ (body water) বুলি কওঁ। গাণিতিকভাৱে ক'ব পাৰি যে ৭০ কেজি ওজনৰ এজনৰ প্রাপ্তবয়স্ক মানুহৰ শৰীৰত প্ৰায় ৪২ লিটাৰ পানী থাকিব লাগে। নৱজাতকৰ শৰীৰত আকৌ শৰীৰৰ ওজনৰ ৮০% পানী থাকে। যেতিয়া বিভিন্ন কাৰণত শৰীৰত থকা এই পানীৰ পৰিমাণ কমি যায় তাকে নির্জলায়ন হোৱা বুলি কোৱা হয়। গৰমৰ দিনত আমাৰ শৰীৰত নির্জলায়নৰ সমস্যা সচৰাচৰ হোৱা দেখা যায়। কেঁচুৱা, সৰু ল'ৰা-ছোৱালী আৰু বয়সস্থ মানুহৰ ক্ষেত্ৰত নির্জলায়নৰ গুৰুতৰ প্ৰভাৱ পৰে। নির্জলায়নৰ সমস্যা হোৱা বুলিনো আমি কেনেকৈ জানিব পাৰোঁ। সাধাৰণতে দেখা যায় যে শৰীৰত পানীৰ পৰিমাণ ৩%ৰ পৰা ৪% কমি গ'লেও প্রাপ্তবয়স্ক মানুহ এজনে কোনো অসুবিধাৰ সন্মুখীন নোহোৱাকৈ চলি থাকিব পাৰে। যেতিয়া শৰীৰৰ পানীৰ পৰিমাণ ৫%ৰ পৰা ৮%লৈ কমি যায়, তেতিয়া আমাৰ শৰীৰত ওঁঠ শুকাই যোৱা আৰু মুখৰ সমস্যা, ভাগৰ লগা, মূৰৰ বিষ, মাংসপেশীৰ দুৰ্বলতা আৰু মূৰ ঘূৰণিৰ দৰে সমস্যাই দেখা দিয়ে। আকৌ যেতিয়া শৰীৰৰ পানীৰ পৰিমাণ ১০%ৰ পৰা ১৫%লৈ কমি যায়, আমাৰ শৰীৰৰ ছাল শুকান আৰু শোটোৰা পৰা, নিম্ন ৰক্তচাপ, হৃদযন্ত্ৰৰ ধপধপনি বাঢ়ি যোৱা, জ্বৰ হোৱা, প্ৰস্ৰাৱৰ পৰিমাণ কমি যোৱা, অজ্ঞান হৈ যোৱা আদিৰ দৰে সমস্যাই দেখা দিয়ে। ১৫%ৰ পৰা ২৫% পানীৰ পৰিমাণ কমি গ'লে মানুহ মৃত্যুমুখত পৰাও দেখা যায়।

## নির্জলায়নৰ কাৰণ

বিভিন্ন কাৰণত নির্জলায়নৰ সমস্যা হোৱা দেখা যায়। তাৰ ভিতৰত তলত উল্লেখ কৰা কাৰণকেইটা অন্যতম।

১। নির্জলায়নৰ অন্যতম এটা কাৰণ হ'ল ডায়েৰিয়া (diarrhoea)। ডায়েৰিয়া হ'লে ঘনাই পনীয়া পায়খানা হয় যাৰ ফলত শৰীৰৰ পৰা ভালেখিনি পানী ওলাই যায় আৰু মানুহ নির্জলায়নৰ সমস্যাৰ সন্মুখীন হয়। একেদৰে বমি হ'লেও মানুহৰ শৰীৰত পানীৰ পৰিমাণ কমি যায়।

(২) গৰমৰ দিনত আমাৰ শৰীৰে শৰীৰটো ঠাণ্ডা কৰি ৰাখিবলৈ পৰ্য্যাপ্ত পৰিমাণৰ পানী ঘাম হিচাপে উলিয়াই দিয়ে। এনেকৈ ঘাম হিচাপে উলিয়াই দিয়া পানীৰ পৰিমাণ বাঢ়ি গ'লে মানুহৰ জ্বৰৰ লগতে নির্জলায়নৰ সমস্যাই দেখা দিয়ে।

৩। মধুমেহ ৰোগৰ কাৰণে আমাৰ শৰীৰত তেজত শৰ্কৰাৰ পৰিমাণ বাঢ়ি যায়, যাৰ ফলত সঘনাই প্ৰস্ৰাৱ হয় আৰু শৰীৰত পানীৰ পৰিমাণ কমি যায়।

## নির্জলায়ন কেনেকৈ প্ৰতিৰোধ কৰিব পাৰি?

আমি দিনটোত পৰ্য্যাপ্ত পৰিমাণে পানী সেৱন কৰিব লাগে। পানীৰ পৰিমাণ বেছি থকা সেউজীয়া শাক-পাচলি আৰু ফলমূল খালে শৰীৰত ই পানীৰ পৰিমাণ সঠিকভাৱে বৰ্তাই ৰাখে।

প্ৰখৰ ৰ'দত বহু সময় থাকিলে বা কচৰৎ কৰিলে বা খেল-ধেমালি কৰিলে শৰীৰৰ পানী ঘাম হিচাপে বাহিৰলৈ যায়। তেনে ক্ষেত্ৰত নির্জলায়নৰ সমস্যাৰ পৰা হাত সাৰিবলৈ পৰ্য্যাপ্ত পানী, ফলৰ ৰস, কুঁহিয়াৰৰ ৰস বা তৰমুজৰ দৰে ফল খাব লাগে।

আজিৰ পৃথিৱীত জলবায়ুৰ পৰিবৰ্তন, গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত নির্জলায়নৰ সমস্যাই সচৰাচৰ মানুহৰ শৰীৰত প্ৰভাৱ পেলোৱা দেখা যায়। তথাপি আমি যদি 'পানীয়েই প্ৰাণীৰ প্ৰাণ' কথাষাৰক সাৰোগত কৰি পৰ্য্যাপ্ত পানী সেৱন কৰোঁ, তেতিয়া নির্জলায়নৰ সমস্যাৰ পৰা নিজকে আঁতৰত ৰাখিব পৰা যায়। ❖

# শামুকৰ লেহেমীয়া গতি

■ বনানী ডেকা



শামুক হ'ল কোমলদেহী বা ম'লাস্কা (Mollusca) নামৰ প্ৰাণীৰ পৰ্বটোৰ অন্তৰ্গত এবিধ জীৱ। কোমলদেহী প্ৰাণী প্ৰায় ১ লাখ ২০ হাজাৰ প্ৰজাতিৰে গঠিত এটা পৰ্ব। প্ৰাণীৰ পৰ্ববোৰৰ ভিতৰত ই দ্বিতীয় সৰ্ববৃহৎ গোট।

শামুকে অতি লেহেমীয়া গতিত এঠাইৰ পৰা আন ঠাইলৈ চলাচল কৰে। শামুকে প্ৰতি ছেকেণ্ডত ১ মিমি. দূৰত্বহে যাব পাৰে। শামুকৰ ভৰি নাথাকে। শামুকৰ শৰীৰটোৰ তলৰ অংশটোক ফুট (foot) বুলি কোৱা হয়। 'ফুট' হৈছে শক্তিশালী মাংসপেশীৰে গঠিত এটা অংশ। এই অংশটো যথেষ্ট ডাঠ। এই অংশটো কাঁহীসদৃশ এটা অংশ।

শামুকৰ কিছুমানে অকল তৃণজাতীয় খাদ্য গ্ৰহণ কৰে। আনহাতে কিছুমান সৰু সৰু পোক-পতংগ আদিও খাদ্য হিচাপে গ্ৰহণ কৰে। দেখা যায় যে তৃণভোজী শামুকবোৰ, পোক-পতংগ গ্ৰহণ কৰা শামুকতকৈ বেছি ধীৰ গতিৰে চলাচল কৰে।

শামুকবোৰ সাধাৰণতে সকলো ধৰণৰ ঠাইতে দেখা পোৱা যায়। সমান ঠাই নাইবা শিলেৰে আবৃত ঠাইতো শামুকবোৰ ধীৰ গতিৰে চলাচল কৰি থাকে। নিজৰ শৰীৰৰ ভাৰসাম্য ৰক্ষা কৰি শামুকবোৰে 'ফুট'ৰ সহায়ত এনেদৰে চলাচল কৰি থকা দেখা যায়।

শামুকৰ এই 'ফুট' অংশত দীঘল মাংসপেশী থাকে। এই মাংসপেশীত সংকোচন আৰু প্ৰসাৰণ ঘটে। এনে সংকোচন-প্ৰসাৰণৰ সহায়ত শৰীৰটো লাহে লাহে অতি ধীৰ গতিত আগ বাঢ়ে। শামুকে এনেদৰে আগ বাঢ়ি থকাৰ সময়ত এনে সংকোচন আৰু প্ৰসাৰণ দৃশ্যমান হয়।

শামুকৰ ফুট অংশত কিছুমান একোটা কোষেৰে গঠিত কিছুমান বিশেষ গ্ৰন্থি থাকে। এই গ্ৰন্থিসমূহে উৎপন্ন কৰা শ্লেষ্মাবোৰ ছালৰ ছিদ্ৰবোৰৰ মাজেৰে পাৰ হৈ ওলাই আহে। শ্লেষ্মাবোৰ হৈছে জুলীয়া, আঠাজাতীয় পদাৰ্থ। শ্লেষ্মাই শামুকবোৰক চলাচলত সহায় কৰে। শ্লেষ্মাই শামুকৰ 'ফুট'ৰ তলৰ অংশ পিছল কৰি তোলে। ইয়াৰ ফলত শামুকে গতি কৰাৰ সময়ত সহজে বগাই যাব পাৰে। শ্লেষ্মাই শিল, মাটি আদি জোঙা বস্তুবোৰৰ ওপৰত আঠাৰ দৰে এটা তৰপ সৃষ্টি কৰে। ইয়াৰ ফলত শামুকে গতি কৰাৰ সময়ত অসুবিধা নাপায়।

তদুপৰি শ্লেষ্মাই শিল, মাটি আদি জোঙা বস্তুবোৰ আৰু শামুকৰ 'ফুট'ৰ মাজত ঘৰ্ষণ বল কম হ্ৰাস কৰে।

শ্লেষ্মাবোৰ হৈছে মিউক'পলিছেকেৰাইড নামৰ বহুশৰ্কৰাৰে গঠিত। এই বহুশৰ্কৰাবোৰে ঘৰ্ষণ কম কৰাত সহায় কৰে।

বিভিন্ন সময়ত বেলেগ বেলেগ পৰিস্থিতিত শামুকে কিছু ভিন্ন শ্লেষ্মা উৎপন্ন কৰা দেখা যায়। সাধাৰণ পৰিস্থিতিত ইহঁতে আঠাযুক্ত শ্লেষ্মা উৎপন্ন কৰে। কিন্তু যেতিয়া শামুকক উত্তেজিত কৰি তোলা হয়, ইহঁতে ফেনযুক্ত শ্লেষ্মা উৎপন্ন কৰে।

শামুকবোৰে জিৰণি লোৱাৰ সময়ত এই শ্লেষ্মাই শামুকটো পৰি নোযোৱাকৈ আঠা লাগি ধৰি ৰখাতো সহায় কৰে।

শামুকে গতি কৰা পথত শুকাই যোৱা শ্লেষ্মাবোৰ জিলমিল কৰি থকা পদাৰ্থৰ দৰে দেখা যায়। এনেদৰে শামুকবোৰে অতি লাহে লাহে গতি কৰি নিজৰ জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয় কামবোৰ সম্পন্ন কৰি জীয়াই থাকে। ❖

# মহাকাশত মহিলা

■ জিতা গগৈ



১৯৬৩ চনৰ ১৬ জুনত ভেলেণ্টিনা তেৰেস্কোভাই মহাকাশলৈ ঐতিহাসিক যাত্রা আৰম্ভ কৰে। এয়া মহাকাশত মহিলাৰ প্রথমটো পদক্ষেপ। বর্তমানলৈকে মহাকাশ অভিযানত মহিলাসকলে গুৰুত্বপূর্ণ ভূমিকা পালন কৰাৰ লগতে মহাকাশ অধ্যয়নৰ ক্ষেত্রখনলৈ উল্লেখযোগ্য অৰদান আগ বঢ়াইছে। ভেলেণ্টিনা তেৰেস্কোভা আছিল এগৰাকী ৰাছিয়ান অভিযন্তা। এই অগ্রণী মহিলাগৰাকীয়ে অকলশৰে ১৬ জুন ১৯৬৩ চনত 'ভস্টক ৬' নামৰ মহাকাশযানখনেৰে মহাকাশলৈ উৰা মাৰিছিল।

মহাকাশলৈ ভ্রমণ কৰা প্রথম আমেৰিকান মহিলা হ'ল চেলি ৰাইড। তেওঁ ১৯৮৩ চনত 'চেলেঞ্জাৰ' নামৰ যানখনেৰে মহাকাশলৈ যাত্রা কৰিছিল। পাছলৈ তেওঁ মহাকাশ অভিযান বিশেষজ্ঞ হিচাপে খ্যাত হয়। মহাকাশত খোজ কঢ়া প্রথম মহিলা হ'ল স্বেতলানা চাভিৎস্কায়া। তেওঁ প্রায় ৮ ঘণ্টা সময় মহাকাশত মহাকাশযানখনৰ বাহিৰত অতিবাহিত কৰিছিল। আমেৰিকাৰ পেগি হুইটছন হ'ল মহাকাশত আটাইতকৈ বেছি সময় অতিবাহিত কৰা মহিলা। তেওঁ মহাকাশত মুঠ ৬৬৫ দিন অতিবাহিত কৰিছিল। তেওঁ ২০০২, ২০০৮ আৰু ২০১৭ চনত মুঠ তিনিবাৰ মহাকাশলৈ গৈছিল। ইটালীৰ মহাকাশচাৰী চামান্থা ক্রিষ্টোফাৰটিয়ে ২০১৫ চনত আটাইতকৈ দীঘলীয়া সময় নিৰৱচ্ছিন্নভাৱে মহাকাশত থকাৰ অভিলেখ গঢ়িছিল। তেওঁ আন্তর্জাতিক মহাকাশ কেন্দ্রত ১৯৯ দিন অতিবাহিত কৰিছিল।

ভাৰতীয় মূলৰ মহাকাশচাৰী কল্পনা চাওলাই ১৯৯৭ চনত কলম্বিয়া মহাকাশযানত অভিযান বিশেষজ্ঞ হিচাপে মহাকাশলৈ গৈছিল। এই অভিযান আছিল ১৫ দিনীয়া আৰু অধ্যয়নৰ বিষয় আছিল সূর্য্য। ২০০৩ চনত তেওঁ পুনৰ মহাকাশলৈ গৈছিল। কিন্তু দুর্ভাগ্যবশতঃ ২০০৩ চনৰ ১ ফেব্রুৱাৰী তাৰিখে মহাকাশযানখন পৃথিৱীত প্রবেশ কৰাৰ সময়তে দুর্ঘটনাত পতিত হয় আৰু কল্পনা চাওলাকে ধৰি সাতজন লোকৰ মৃত্যু হয়। সুনীতা উইলিয়ামছ আন এগৰাকী ভাৰতীয় মূলৰ মহাকাশচাৰী। সুনীতাই মুঠ ৭ বাৰ মহাকাশত খোজ কাঢ়িছে। তেওঁ মহাকাশযানৰ বাহিৰত মুঠ ৫০ ঘণ্টা ৪০ মিনিট অতিবাহিত কৰিছিল। তেওঁ মহাকাশত মুঠ ৩২২ দিন অতিবাহিত কৰিছে আৰু ইয়াৰে ১৯৫ দিন তেওঁ আন্তর্জাতিক মহাকাশ কেন্দ্রত অতিবাহিত কৰে। তেওঁ ১৯৫ দিন মহাকাশত অতিবাহিত কৰি মহিলাসকলৰ মাজত এককভাৱে কৰা আটাইতকৈ দীঘলীয়া মহাকাশ যাত্রাৰ অভিলেখ গঢ়িছিল।

মহাকাশলৈ যোৱা আটাইতকৈ শেহতীয়া মহিলা মহাকাশচাৰী হ'ল মেগান মেকআৰ্থাৰ। তেওঁ ২০২১ চনৰ ২৩ এপ্রিল তাৰিখে 'স্পেছ এক্স' মহাকাশযানৰ ক্রু-২ অভিযানত গৈছিল। এই অভিযানত মেকআৰ্থাৰে মহাকাশযানখনৰ পাইলট হিচাপে কাম কৰিছিল। তেওঁ দলৰ সদস্যসকলৰ লগত মহাকাশত প্রায় ছমাহ অতিবাহিত কৰিছিল আৰু তেওঁৰ তত্ত্বাৱধানত বিভিন্ন পৰীক্ষা-নিৰীক্ষা সম্পন্ন হয়।

মহাকাশ অধ্যয়নৰ ক্ষেত্ৰত গুৰুত্বপূর্ণ অৰদান আগ বঢ়োৱা অসংখ্য মহিলা মহাকাশচাৰী আছে। তেওঁলোকৰ মাজত এই মহিলাসকলে বিশেষভাৱে ভৱিষ্যৎ প্রজন্মক বিশ্বব্ৰহ্মাণ্ড আৰু মহাকাশৰ বিষয়ে অধ্যয়ন কৰিবলৈ অনুপ্রাণিত কৰিছে। ❖

প্ৰখ্যাত ব্যক্তি

# পৃথিৱীৰ প্ৰথম বুৰঞ্জীবিদ হেৰ'ডটাছ

■ জিতেন গোস্বামী



বুৰঞ্জী হৈছে মানৱজাতিৰ দাপোণ স্বৰূপ। বুৰঞ্জীবিদ-সকলে বুৰঞ্জীৰ পাততেই মানৱজাতিৰ সভ্যতা, সংস্কৃতি, শৌৰ্য্য-বীৰ্য্য আদি জীৱন্ত ৰূপত বৰ্ণনা কৰি মানৱ সভ্যতাৰ কালচক্ৰ লিপিবদ্ধ কৰি আহিছে। বুৰঞ্জীক ইতিহাস বুলিও কোৱা হয়। ইতিহাসক ইংৰাজী ভাষাত History বুলি কোৱা হয়। History শব্দটো গ্ৰীক ভাষাৰ Histor শব্দটোৰ পৰা লোৱা, যাৰ অৰ্থ হৈছে অনুসন্ধান কৰা। অসমীয়া ভাষাত বুৰঞ্জী শব্দটোৰ অৰ্থ হ'ল 'বু' মানে মূৰ্খ, 'ৰণ' মানে শিক্ষা আৰু 'জি' মানে ভঁৰাল। অৰ্থাৎ বুৰঞ্জী মানে মূৰ্খৰ শিক্ষাৰ ভঁৰাল। এই বুৰঞ্জীসমূহ আহোমসকলৰে দান।

বুৰঞ্জীৰ জন্ম দি মানৱ সভ্যতাক মহিমামণ্ডিত কৰা ব্যক্তিগৰাকী হ'ল হেৰ'ডটাছ। হেৰ'ডটাছৰ জন্মৰ দিন-বাৰ সম্পৰ্কে কোনো পণ্ডিতে সঠিক তথ্য উদ্‌ঘাটন কৰিব পৰা নাই যদিও এচাম পণ্ডিতে তেওঁৰ জীৱনকাল খৃষ্টপূৰ্ব ৪৮৪ৰ পৰা ৪২৫লৈ বুলি মত প্ৰকাশ কৰিছে। হেৰ'ডটাছ আছিল গ্ৰীক চহৰ হালিকাৰ্নাছাছৰ এজন গ্ৰীক ইতিহাসবিদ আৰু ভূগোলবিদ। পাছলৈ তেওঁ কেলাব্ৰিয়াৰ থুৰীৰ নাগৰিক হয়।

ঐতিহাসিক পৰিঘটনাক পদ্ধতিগত অনুসন্ধান কৰি লিপিবদ্ধ কৰা প্ৰথমজন লেখক আছিল হেৰ'ডটাছ। তেওঁক ইতিহাসৰ পিতৃ বুলি কোৱা হয়। এই উপাধিটো তেওঁক ৰোমান পণ্ডিত চিচেৰ'ই প্ৰদান কৰিছিল। গ্ৰীক পাৰ্ছী যুদ্ধৰ কাহিনী গ্ৰীকসকলৰ দৃষ্টিকোণৰ পৰা বৰ্ণনা কৰা 'দ্য হিষ্টৰীজ' তেওঁৰ অমৰ কীৰ্তি। গ্ৰন্থখন চিন্তা উদ্ৰেককাৰী আৰু সুখপাঠ্য। খৃষ্টপূৰ্ব ৪৯০ৰ পৰা ৪৮০লৈ সংঘটিত হোৱা গ্ৰীক আৰু পাৰ্ছিয়ান যুদ্ধৰ ঘটনাপ্ৰবাহক তেওঁ 'দ্য হিষ্টৰীজ' গ্ৰন্থখনত ইমান ৰসাল আৰু সাৱলীল ৰূপত উপস্থাপন কৰিছিল যে পাঠকে বহু সময়ত এই যুদ্ধৰ বৰ্ণনাক বুৰঞ্জী বা ইতিহাসতকৈ সাধু কথা হিচাপেহে গণ্য কৰিছিল। ইতিহাসবিদসকলে ইয়াক শুকান জেওৰা চেপি ৰস উলিওৱাৰ লগত তুলনা কৰিছিল। হেৰ'ডটাছে 'দ্য হিষ্টৰীজ' গ্ৰন্থখনৰ বাবে তথ্য সংগ্ৰহ কৰিবলৈ ভূমধ্য সাগৰীয় অঞ্চলবোৰ বহুলভাৱে ভ্ৰমণ কৰাৰ লগতে তেওঁ প্ৰত্যক্ষদৰ্শীৰো সাক্ষাৎকাৰ লৈছিল, নথি-পত্ৰ সংগ্ৰহ কৰিছিল আৰু প্ৰত্নতাত্ত্বিক স্থানসমূহ পৰিদৰ্শন কৰিছিল। তদুপৰি তেওঁ ঘটনাৰ প্ৰণালীবদ্ধভাৱে বিশ্লেষণ বা বিৱৰণ দিয়া প্ৰথমজন ইতিহাসবিদ আছিল। এইবোৰ কাৰণতেই তেওঁক বুৰঞ্জীৰ পিতৃ বুলি কোৱা হৈছিল।

হেৰ'ডটাছৰ ৰচনা ইতিহাসবিদসকলৰ বাবে যুগ যুগ ধৰি প্ৰেৰণাদায়ক হৈ আহিছে। ইতিহাস অধ্যয়নৰ তেওঁৰ পদ্ধতি আৰু দৃষ্টিভংগী আজিও প্ৰাসংগিক। তেওঁ সোঁৱৰাই দিয়ে যে ইতিহাসে কেৱল তাৰিখ আৰু পৰিঘটনাৰ বিষয়েই নহয়, ই মানুহৰ অভিজ্ঞতাকো সামৰি লয়। ❖

# লিথিয়াম আৰু ভাৰতবৰ্ষ

■ নিবেদিতা তালুকদাৰ



লিথিয়াম এবিধ কোমল ধাতু, যাৰ পৰমাণু ক্ৰমাংক ৩ আৰু ৰাসায়নিক চিহ্ন Li। লিথিয়াম শব্দটো লেটিন শব্দ লিথ'ছ্ৰ (Lithos) পৰা আহিছে। লিথ'ছ মানে শিল। লিথিয়াম ধাতুবিধ ইমান কোমল যে ইয়াক কটাৰীৰে অনায়াসে কাটিব পাৰি। লিথিয়াম অতি সক্ৰিয় আৰু দাহ্য। ১৮১৭ খৃ.ত জন আগষ্ট আৰ্ফভেদছন (John August Arfvedson) নামৰ বিজ্ঞানী এজনে লিথিয়াম অক্সাইডৰ ($Li_2O$) বিদ্যুৎ বিশ্লেষণ কৰি লিথিয়াম ধাতু প্ৰস্তুত কৰিছিল। ইয়াৰ পাছত উইলিয়াম থ'মাছ (William Thomas) আৰু হাম্‌ফ্ৰি ডেভি নামৰ বিজ্ঞানী দুজনে লিথিয়াম ক্ল'ৰাইডৰ (LiCl) বিদ্যুৎ বিশ্লেষণ কৰি প্ৰচুৰ পৰিমাণে লিথিয়াম উৎপাদন কৰে।

লিথিয়াম বৰ্তমানৰ বৈদ্যুতিন জগতৰ চালিকা শক্তি বুলি ক'লে বঢ়াই কোৱা নহ'ব। সৰু ল'ৰা-ছোৱালীৰ পুতলাৰ পৰা ডাঙৰৰ স্মাৰ্ট ফ'ন, লেপটপ, ইলেকট্ৰিক কাৰ, ড্ৰোণ কেমেৰা আদিৰ বেটাৰী নিৰ্মাণ কৰাত তথা হাৰ্ট পেচ-মেকাৰ, খেলনা, ঘড়ীৰ বেটাৰী নিৰ্মাণ কৰাত লিথিয়াম ব্যৱহাৰ কৰা হয়। এনে বেটাৰীক লিথিয়াম-আয়ন বেটাৰী বোলা হয়। এই বেটাৰীবোৰ পাতল আৰু তুলনামূলকভাৱে ইয়াৰ জীৱন-কাল ১০ গুণ বেছি, লগতে ইয়াৰ কাৰ্য্যদক্ষতাও বেছি। সেয়েহে গোটেই বিশ্বত বৰ্তমান লিথিয়ামৰ চাহিদা বাঢ়ি গৈছে। লেপটপ, ফ'ন, বৈদ্যুতিক গাড়ীকে আদি কৰি সকলোতে ইয়াৰ জনপ্ৰিয়তা বাঢ়িছে। তদুপৰি এয়াৰ কণ্ডিছনাৰ তথা বিভিন্ন উদ্যোগত লিথিয়ামৰ সংকৰ ধাতু ব্যৱহাৰ কৰা হয়। সেয়েহে, যিখন দেশত লিথিয়ামৰ উৎপাদন বেছি, সেইখন দেশক গোটেই বিশ্বই সমীহ কৰি চলে।

বৰ্তমান পৃথিৱীৰ চিলি (Chile) নামৰ দেশখনত লিথিয়ামৰ উৎপাদন আটাইতকৈ বেছি। তদুপৰি অষ্ট্ৰেলিয়া, বলিভিয়া, আৰ্জেণ্টিনা, চীন আদি দেশতো লিথিয়ামৰ ভাণ্ডাৰ পোৱা গৈছে। আমাৰ ভাৰতবৰ্ষই লিথিয়াম আমদানি কৰে চীনৰ পৰা। বছৰে বছৰে এই আমদানিৰ পৰিমাণ বাঢ়ি গৈছে। ইয়াৰ ফলত প্ৰচুৰ পৰিমাণৰ বৈদেশিক মুদ্ৰা ব্যয় হয়। ২০২০-২১ বৰ্ষত ভাৰতে লিথিয়াম-আয়ন বেটাৰীৰ আমদানিৰ বাবে ৮৯৮৪ কোটি টকা খৰচ কৰিছিল। ২০২১-২২ বৰ্ষত এই খৰচৰ পৰিমাণ ১৩,৮৩৮ কোটি টকালৈ বৃদ্ধি পায়।


এই ক্ষেত্ৰত ৯ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে ভাৰতৰ ভাগ্য উদয় হোৱা বুলি ক'ব পাৰি। ভাৰতৰ জম্মু-কাশ্মীৰত প্ৰথমবাৰৰ বাবে ৫.৯ নিযুত টন লিথিয়ামৰ ভাণ্ডাৰৰ সন্ধান পোৱা গ'ল—এই তথ্য কেন্দ্ৰীয় চৰকাৰে সদৰি কৰিছে। কেন্দ্ৰীয় খনি মন্ত্ৰালয়ে এক বিবৃতিযোগে কয় যে প্ৰথমবাৰৰ বাবে জম্মু-কাশ্মীৰৰ ৰিয়াচি জিলাৰ চালাল-হাইমানা অঞ্চলত ৫.৯ নিযুত টন লিথিয়ামৰ সন্ধান পোৱা গৈছে। যদি আমি লিথিয়ামৰ পৰিমাণ হিচাপ কৰোঁ তেন্তে চিলি আৰু অষ্ট্ৰেলিয়াৰ পাছতে ভাৰতবৰ্ষ তৃতীয় লিথিয়াম উৎপাদনকাৰী দেশ হ'ব। এই আৱিষ্কাৰে দেশখনক আগ বাঢ়ি যোৱাত সহায় কৰিব। ঘৰুৱা বেটাৰী, বিদ্যুৎচালিত গাড়ী, ফ'ন, লেপটপ, কেমেৰা আদিৰ খৰচ আৰু দাম কমিব।

এই ভাণ্ডাৰৰ পৰা খনন কৰি সঠিক পৰিমাণে লিথিয়াম নিষ্কাসন কৰিব পাৰিলে ভাৰতৰ অৰ্থনীতিৰ লক্ষণীয় পৰিবৰ্তন হ'ব। আমদানিৰ ব্যয় হ্ৰাস হোৱাৰ লগতে প্ৰদূষণো হ্ৰাস হ'ব। ফলত ভাৰতবাসীৰ জীৱনশৈলী অধিক উন্নত হোৱাৰ সম্ভাৱনা আছে। ❖

# শিক্ষাৰ্থীয়ে আঁকা ছবি আৰু তোলা আলোকচিত্ৰ


অভীপ্সা বৰুৱা, পঞ্চম ঘ


চয়নিকা কাশ্যপ, পঞ্চম ঘ


প্ৰাকিষ্ঠ বৰা, ষষ্ঠ খ


গাৰ্গী শৰ্মা, সপ্তম খ



নিৰ্বানা হাজৰিকা, অষ্টম গ



ফৰ্ডৰ প্ৰথম সময়ছোৱাৰ গাড়ী



ৰাম মোহন



ৰুডিয়াৰ্ড কিপলিং